# বিবাহ সম্পৰ্কে

## হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ দুটা গুৰুত্বপূৰ্ণ খোতবা

প্ৰকাশক

নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# বিবাহ সম্পৰ্কে

## হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ দুটা গুৰুত্বপূৰ্ণ খোতবা

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

নাম কিতাপ ঃ বিবাহ সম্পৰ্কে হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ গুৰুত্বপূৰ্ণ খোতবা

মূল ঃ ৰিস্তা নাতা কে তালুক ছে হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ) কে দো এহম খুতবা

অনুবাদক ঃ মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)

প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

প্ৰথম প্ৰকাশ ঃ ২০২১, ৫০০ কপি

মুদ্ৰণে ঃ ফজলে উমৰ প্ৰণ্টিং প্ৰেছ কাদিয়ান ১৪৩৫১৬ (পঞ্জাব)

---

**Name Book : Biba Samparke Hazarat Khalifatul Masi V thatba r Guruttapurna Khutba**

**Original : Rista Nata ke Taluk se Hazrat Khalifatul Masi V thatba ke do Eham Khutba**

**Translated by : Mozibar Rahman Muballig Silsila (Incharge Assamese Desk)**

**Published by : Nazarat Nashr-O-Ishaat Qadian**

**First Published: 2021, 500 Copies**

**Printed at : Fazle Umar Printing Press Qadian,143516 (Punjab)**

# সমাজৰ কাম হয় যে বিয়াৰ উপযুক্ত বিধৱা, ল'ৰা আৰু ছোৱালীসকলৰ বিয়াৰ ব্যৱস্থাৰ প্ৰতি ধ্যান দিয়া

**আহমদী ল'ৰা আৰু ছোৱালীসকলৰ বিয়া পৰস্পৰৰ মাজতেই যেন কৰা হয় যাতে ভৱিষ্যত বংশধৰ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত থাকিব পাৰে। (বিধৱাসকল আৰু বিয়াৰ উপযুক্ত ল'ৰা আৰু ছোৱালীসকলৰ বিয়াৰ ব্যৱস্থা কৰা সম্পৰ্কে কোৰাণ মজিদ,হাদীছ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ উদ্ধৃতিত বৰ গুৰুত্বপূৰ্ণ উপদেশাৱলী)**

**হজৰত আমিৰুল মোমিনিন হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ আল খামিছ (আইঃ)য়ে ২৪ ডিচেম্বৰ ২০০৪ চনত, ২৪/ ফাতাহ ১৩৮৩ হিজৰী শ্বামছীত মছজিদ বায়তুল ছালাম পেৰিছ ফ্ৰান্সত প্ৰদান কৰা খোতবা জুমা**

أشهد أن لا إله إلا الله وحده لا شريك له وأشهد أن محمداً عبده ورسوله-

أما بعد فأعوذ بالله من الشيطان الرجيم- بسم الله الرحمٰن الرحيم-

الحمد لله رب العٰلمين- الرحمٰن الرحيم- مٰلك يوم الدين- إياك نعبد وإياك نستعين-

اهدنا الصراط المستقيم- صراط الذين أنعمت عليهم غير المغضوب عليهم ولا الضالين-

{وَاَنْكِحُوا الْاَيَامٰى مِنْكُمْ وَالصّٰلِحِيْنَ مِنْ عِبَادِكُمْ وَاِمَآئِكُمْ۔ اِنْ يَّكُوْنُوْا فُقَرَآءَ يُغْنِهِمُ اللّٰهُ مِنْ فَضْلِهٖ۔ وَاللّٰهُ وَاسِعٌ عَلِيْمٌ}۔(سورة النور آيت 33)

আজি কালি বিয়া-বাৰুৰ বহু সমস্যাৱলী সন্মুখত আছে। প্ৰত্যেক দিন চিঠি-পত্ৰসমূহত ইয়াৰ উল্লেখ পোৱা যায়। ছোৱালীসকলৰ তৰফৰ পৰা মহিলাসকলৰ তৰফৰ পৰা ছোৱালীসকলৰ ৰিস্তা সম্বন্ধে সমস্যাৱলী হয়।

যিসকলৰ সম্পৰ্ক টকা-পইচাৰ নাটনিৰ ক্ষেত্ৰত সেইসকলৰ ৰিস্তাৰ সমস্যাৱলী, সিহঁত ল'ৰা হওঁক বা ছোৱালী হওঁক বা বিধৱা হওঁক। এনেকুৱা কিছুমান বিধৱা আছে যিসকলে বিয়াৰ যোগ্যতা ৰাখে বা কিছুমান এনেকুৱা যিয়ে নিজৰ সুৰক্ষাৰ বাবে বিয়া পাতিব বিচাৰে সেইসকলৰ ৰিস্তাৰ সমস্যাৱলী; কিন্তু এনেকুৱা বিধৱাসকল মাজে সময়ে সমাজৰ দৃষ্টিৰ কাৰণে ভয় কৰে আৰু বিয়াৰ যোগ্যতা ৰখা সত্ত্বেও সিহঁতে বিয়া পাতিব নিবিচাৰে। অৰ্থাৎ ভিন্ন ভিন্ন দিকৰ ফালৰ পৰা নিজৰ নিজৰ সমস্যাৱলী আছে। কিছুমান পশ্চিমীয়া ৰাষ্ট্ৰসমূহৰ বিধৱাসকলৰ বিষয়ে কিছু কথা পাতিম,বিধৱা মহিলা যদি দ্বিতীয় বিয়া কৰে তেন্তে ইয়াক বহু বেয়া বুলি ভৱা হয় আৰু পাপ বুলি ভাৱে। কিছুমান মহিলাই নিজৰ অৱস্থাৰ কাৰণে বিয়া পাতিব বিচাৰে সিহঁতৰ কেতিয়াবা ৰিস্তাৰ কথা ফাইনাল হৈ যায় কিন্তু সিহঁতৰ আত্মীয়-স্বজনসকলে এয়া বহুত ডাঙৰ পাপ বুলি ভাৱে যেনেকুৱা মই কৈছো; আৰু এইদৰে বিভিন্ন প্ৰকাৰৰ কথা-বতৰা হৈ থাকে আৰু মহিলাজনীক ইমান নীচ কৰি দিয়ে যে তাই নিজৰ জীৱনৰ পৰা উদাসীন হৈ পৰে। আশ্চৰ্যৰ কথা এয়া যে ইয়াত অৰ্থাৎ ইউৰোপত আহি আন আন বিষয়ত ভাল ধ্যান-ধাৰণাৰ নাম দি বহু বিষয়াৱলীত লিপ্ত হৈ পৰে তাৰ মাজত কিছুমান বিষয়ে ইছলাম অনুমতি প্ৰদান নকৰে কিন্তু যি আল্লাহ তা'লাৰ আদেশ যে বিধৱাসকলৰ বিয়াৰ ব্যৱস্থা কৰা এই বিষয়ে বৰ অহংকাৰ দেখুৱাই থাকে।

আল্লাহ তা'লা কোৰাণ কৰিমত কৈছে-ওপৰত যি আয়াত মই তিলাওত কৰিছোঁ যে তোমালোকৰ মাজত যিসকল বিধৱা আছে সিহঁতৰো বিয়াৰ ব্যৱস্থা কৰা আৰু এইদৰে তোমালোকৰ মাজত যি দাস আৰু দাসী পুণ্যবান হয় সিহঁতৰো বিয়াৰ ব্যৱস্থা কৰা। যদি সিহঁতে দুখীয়া তেন্তে আল্লাহ নিজৰ কৃপাত সিহঁতক ধনৱন্ত বনাই দিব। আল্লাহ বহু প্ৰদান কৰোঁতা আৰু সৰ্বজ্ঞানী। এয়া হয় আল্লাহ তা'লাৰ আদেশ যাৰ ওপৰত সকলোৰে কৰ্ম (কাৰ্যকৰী) কৰা উচিত। আল্লাহ তা'লা স্পষ্ট ভাৱে কৈছে যে সমাজত যদি পুণ্যবানক উৰ্দ্ধত কৰিব বিচৰা তেতিয়া সমাজত যিসকল বিধৱা বিয়াৰ যোগ্য সিহঁতৰো বিয়াৰ ব্যৱস্থা কৰাৰ চেষ্টা কৰা আৰু অৰ্থাৎ সেই যুগত (আঁ-হজৰত ছাঃৰ যুগত)যিসকল

দাস আৰু দাসী আছিল সিহঁতৰ মাজৰ পৰা যিসকল পুণ্য প্ৰকৃতিৰ সিহঁতৰো বিয়াৰ ব্যৱস্থা কৰা হৈছিল যাতে বেয়া বিস্তাৰ কৰিব নোৱাৰে; আৰু যিসকল দুখীয়া সিহঁতেও যেন উদাসীনতাৰ চিকাৰত আৱদ্ধ নহয়। অৰ্থাৎ এই আদেশ বিয়াৰ বাবে বাধ্যতামমূলক। এই যুগত দাস নাই কিন্তু বহু ৰাষ্ট্ৰসমূহত দুখীয়াসকল আছে আৰু দুখীয়াৰ কাৰণে সিহঁতৰ বিয়া নহয় জমাত সেইসকল লোকৰ সহায় আগবঢ়ায়। কিছুমান লোকসকলে ব্যক্তিগত ভাৱে সহায় আগবঢ়ায় আৰু সহায় কৰাও উচিত। কৈছে যে কিন্তু এয়া নেভাৱিবা যে সিহঁতে দুখীয়া হয় সেই কাৰণে সিহঁতৰ বিয়াৰ ব্যৱস্থা নকৰিম। যদি পুৰুষ কাম নকৰে বা কোনো কাম তেওঁৰ ওচৰত নাই বা কোনো ডাঙৰ উপাৰ্জনৰ মাধ্যম নাই তথাপি সিহঁতৰ বিয়াৰ ব্যৱস্থা কৰা হওঁক আৰু জমাতত যি এটা নিজাম প্ৰতিষ্ঠিত আছে এনেকুৱা লোকৰ শ্ৰমিক বা বেপাৰ-বাণিজ্যৰ বাবে চেষ্টা কৰা হয় আৰু কৰাও উচিত। গতিকে ইন্না মাশ্বাল্লাহ যেতিয়া এনেকুৱা চেষ্টা-প্ৰচেষ্টা হয় তেতিয়া কিছু সংখ্যকৰ বাহিৰে অনুতাপ সৃষ্টি হয় যে সিহঁতে নিজৰ স্ত্ৰী-সন্তানক চম্ভালিব লাগিব, এই কাৰণে কোনো কাম কৰক,কোনো বেপাৰ কৰক, কোনো চাকৰি কৰক, কোনো শ্ৰমিকৰ কাম কৰক। আকৌ বেছিৰ ভাগ স্ত্ৰীয়ে নিজৰ স্বামীৰ কাৰণে কোনো কাম কৰাৰ বাবে বা শ্ৰমিকৰ কাম কৰাৰ উৎসা জগায়। স্ত্ৰীয়ে তেওঁৰ ওপৰত জোৰ দিয়ে যাৰ ফলত মনোযোগ সৃষ্টি হয়; আৰু কেইবা উদাহৰণ এনেকুৱা আছে যে বিয়াৰ পিছত এনেকুৱা দুখীয়াৰ অৱস্থা উন্নত হৈ গৈছে। আল্লাহ তা'লাই কৈছে যে এয়া আল্লাহ তা'লাৰ কাম হয়,সেইজনাই জ্ঞান ৰাখে যে কোনজনৰ কি পৰিস্থিতি হ'বলগীয়া। সমাজৰ এয়া কাম যে যদিওবা সেইজনী বিধৱা হয় বা দুখীয়া হওঁক সিহঁতৰ বিয়াৰ ব্যৱস্থাৰ চেষ্টা কৰিব। এইদৰে সমাজ বহু পৰিমাণে বেয়াৰ পৰা পৱিত্ৰ হৈ পৰিব, সুৰক্ষিত থাকিব। বিধৱাসকলৰ মাজত অধিকতৰ এনেকুৱা যে যিসকলে বিয়া কৰাৰ ইচ্ছুক ৰাখে, নিৰ্ভৰশীল হৈ পৰে আৰু সিহঁতৰ মাজত বহু এনেকুৱাও আছে যাৰ স্বামীৰ মৃত্যুৰ পিছত অৰ্থনৈতিক সমস্যাৱলীৰ সন্মুখীন হ'বলগীয়া হৈছে। সমাজৰ কিছু সমস্যাৱলী আছে যাৰ সন্মুখীন হ'বলগীয়া হয় যাৰ ফলত সিহঁতৰ এয়া ইচ্ছা হয় যে সিহঁতে যেন

কোনো ঠিকা নাপায়; সিহঁতে বিনা সুৰক্ষাত ভৱিষ্যতলৈ কষ্ট সহ্য কৰি থাকে যেন। এই কাৰণে কৈছে যে পৱিত্ৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে আৰু সিহঁতৰ ব্যক্তিগত সমস্যাৱলীৰ সমাধানৰ বাবে পূৰ্ণৰূপত চেষ্টা কৰা হওঁক যাতে সিহঁতৰ বিয়া হৈ যায়। এয়া আল্লাহ তা'লাৰ আদেশ হয় যেনেকুৱা মই কৈছো কিছুমান সমাজে ইয়াক অপছন্দ কৰে। ইছলামী আৰু আহমদী সমাজ বুলি কৈয়ো কিছুমান লোকসকলে ইয়াক অপছন্দ কৰে। গতিকে প্ৰত্যেক আহমদীৰ এয়া স্মৰণ ৰখা উচিত যে আল্লাহ তা'লাৰ আদেশৰ মোকাবিলাত আমাৰ ৰিৱায়ত (ঐতিহ্য) অৰ্থাৎ সেই মিছা ৰিৱায়ত যি অইন ধৰ্মৰ বা অমুছলিমৰ বিকৃত ধৰ্মৰ অংশ হৈ আমাৰ ভিতৰৰ শিপা ধৰি আছে,আমাৰ ভিতৰত প্ৰৱেশ কৰি আছে সেইবোৰক ওলাই দিয়া উচিত।

আল্লাহ তা'লা বিধৱাসকলক এই অনুমতি প্ৰদান কৰে যে বিধৱা হোৱাৰ পিছত যদি কাৰোবাৰ স্বামীৰ মৃত্যু হৈ যায় তাৰ পিছত যি নিৰ্ধাৰিত সময় চাৰি মাহ দহ দিন সেয়া পূৰ্ণ কৰি নিজৰ ইচ্ছাত বিয়া পাতি লওঁক ইয়াত কোনো দোষ নাই। কাৰো পৰা কোনো সিদ্ধান্ত লোৱাৰ প্ৰয়োজন নাই বা ডাঙৰৰ পৰা সুধাৰ প্ৰয়োজনো নাই। কিন্তু চৰ্ত এয়া যে সুপৰিচিত অনুযায়ী ৰিস্তা স্থিৰ কৰা। সমাজে যেন জানিব পাৰে যে বিয়া হৈ আছে তেতিয়াহলে কোনো দোষ নাই। গতিকে বিধৱাসকলক নিজৰ সম্বন্ধে নিজৰ ভৱিষ্যত জীৱনৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ নিজকে প্ৰদান কৰিছে বা অনুমতি প্ৰদান কৰিছে; আৰু লোকসকলক কৈছে যে তোমালোকে বিনা কাৰণত তাতে বাধা হৈ থিয় হোৱাৰ চেষ্টা নকৰিবা আৰু নিজৰ ৰিস্তাৰ উদ্ধৃতি দিয়াৰ চেষ্টা নকৰিবা। যদি বিধৱাসকলৰ ৰিস্তা বৈধ আৰু সুপৰিচিত পদ্ধতিত হৈ আছে তেন্তে আল্লাহ তা'লাই তাৰ অনুমতি প্ৰদান কৰে। তোমাৰ ওপৰত এয়া কোনো পাপ নহয়। তুমি নিজকে বংশৰ গৰ্ব কৰি বা ডাঙৰ ৰিস্তাৰ উদ্ধৃতি দি বাধা হৈ থিয় নহ'বা যে এই ৰিস্তা ঠিক নহয় বা এয়া হোৱা উচিত নহয়। বিধৱাসকলৰ নিজেই সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে। তুমি কোনো ধৰণৰ জিম্মাদাৰীৰ পৰা স্বাধীন হোৱা। আল্লাহ তোমাৰ অন্তৰৰ বিষয়ে অৱগত। যদি তুমি কোনো কাৰণত নেক নিয়তৰ সৈতে বাধা দিয়া বা বুজোৱাৰ চেষ্টা কৰি আছা যাতে এই ৰিস্তা

নহয়, তেতিয়া তোমাৰ অন্তৰত যি আছে প্ৰকাশ কৰি দিয়া আৰু তাইক কৈ দিয়া, তাৰ পিছত তুমি পিছুৱাই যোৱা আৰু সিদ্ধান্তৰ অধিকাৰ সেই বিধৱাজনীৰ অধিকাৰত এৰি দিয়া। আল্লাহ তা'লা তোমাৰ অন্তৰৰ বিষয়ে অৱগত সেইজনাই তোমাৰ নিয়তৰ বিষয়ে জানে, তোমাৰ জৰিয়তে তদন্ত কৰা নহ'ব, যদি নিয়ত নেক হয় তাৰ ছোৱাব (পুৰস্কাৰ) পাই যাবা।

এই বিষয়ে কৈছে-

**وَالَّذِيْنَ يَتَوَ فَّونَ مِنْكُمْ وَيَذَرُوْنَ اَزْوَاجًا يَّتَرَبَّصْنَ بِاَنْفُسِهِنَّ اَرْبَعَةَ اَشْهُرٍ**

وَّعَشْرًا۔ فَاِذَا بَلَغْنَ اَجَلَهُنَّ فَلَا جُنَاحَ عَلَيْكُمْ فِيْمَا فَعَلْنَ فِيْۤ اَنْفُسِهِنَّ بِالْمَعْرُوْفِ۔ وَاللّٰهُ بِمَا تَعْمَلُوْنَ خَبِيْرٌ۔
(2:235)

**অনুবাদ ঃ** আৰু তোমালোকৰ মাজৰ যিবিলাকে মৃত্যুৰ পিছত পত্নী এৰি থৈ যায় সেই পত্নীসকলে চাৰি মাহ দহ দিন নিজকে সম্বৰণ কৰি ৰাখিব; আৰু যেতিয়া নিজৰ নিৰ্দিষ্ট কাল পূৰ্ণ কৰিব নিজৰ সম্বন্ধে সিহঁতে ন্যায় অনুসাৰে যি কাৰ্য্য সম্পাদন কৰে, তাৰ কাৰণে তোমালোকৰ কোনো দোষ নহ'ব; আৰু তোমালোকে যি কাৰ্য্য কৰা সি আল্লাহৰ অবিদিত নহয়। (চুৰা বাকাৰা আয়াত ২৩৫)

**হজৰত মছীহ মাওউদ (আঃ)য়ে এই বিষয়ে কৈছে যে**

বিধৱাসকলৰ বিয়াৰ আদেশ এনেকুৱা হয় যেনেকুৱা যুৱতীসকলৰ বিয়াৰ আদেশ হয়। কিছুমান জাতিয়ে বিধৱা মহিলাসকলৰ বিয়া সন্মানৰ হানি বুলি জ্ঞান কৰে আৰু এই কু-প্ৰথা বহু পৰিমাণে বিস্তৃত হৈ গৈছে। এই কাৰণেই বিধৱাসকলৰ বিয়াৰ আদেশ হৈছে। কিন্তু তাৰ এয়া অৰ্থ নহয় যে প্ৰত্যেকজনী বিধৱাই বিয়া পাতিব লাগিব। বিয়া সেইজনীৰেই হ'ব যিজনী বিয়াৰ যোগ্যতা ৰাখে যাৰ বাবে বিয়া জৰুৰী হয়। কিছুমান মহিলা বয়জ্যেষ্ঠ হৈ বিধৱা হৈ যায়। কিছুমানৰ সম্বন্ধে সিহঁতৰ অৱস্থা এনেকুৱা হৈ যায় যে সিহঁতে বিয়া পাতিবৰ যোগ্যতা নাৰাখে। উদাহৰণস্বৰূপ, কোনোবাই এনেকুৱা ৰোগত আক্ৰান্ত যে সিহঁতে বিয়াৰ যোগ্যতাই নাৰাখে বা অধিক সন্তান আৰু সম্পৰ্কৰ কাৰণে এনেকুৱা অৱস্থা হৈ যায় যে তাইৰ হৃদয় পছন্দ নকৰে যে তাই দ্বিতীয় স্বামী বনাব। এনেকুৱা ক্ষেত্ৰত বাধ্যবাধকতা নহয় যে মহিলাসকলক বাধ্য কৰি বিয়া

কৰোৱা হ'ব। এই কু-প্ৰথাক আঁতৰ কৰা উচিত যে বিধৱা মহিলাক গোটেই জীৱন বিনা স্বামী বাধ্যবাধকতাৰ সৈতে ৰখা হওঁক। ( মলফুজাত জিলদ পঞ্চম পৃঃ ৩২০ নতুন এডিশ্বন)

তেখেত (আঃ)য়ে ইয়াৰ ব্যাখ্যা কৰি স্পষ্ট ভাৱে বৰ্ণনা কৰিছে যে প্ৰথম কথা হ'ল যে সমাজ আৰু আত্মীয়-স্বজনসকলক এয়া আদেশ যে যদি কোনোবাই বিয়াৰ বয়সতে বিধৱা হৈ যায় তেতিয়া তোমালোকে তাইৰ ৰিস্তাৰ বাবে সেইদৰে চেষ্টা কৰা যিদৰে যুৱতী ছোৱালীসকলৰ যুৱক ল'ৰাৰ সৈতে বিয়া পাতিবৰ বাবে চেষ্টা কৰা। এয়া তোমাৰ অসন্মানী নহয় বৰঞ্চ তোমাৰ সন্মান ইয়াৰ মাজতেই নিহিত। দ্বিতীয় কথা যদি কোনোবাই বয়জ্যেষ্ঠ হোৱাৰ বাবে বা সন্তানৰ সংখ্যা অধিক হোৱাৰ কাৰণে বা নিজৰ বেলেগ কিবা কাৰণ বশতঃ বা কোনো ৰোগত আক্ৰান্ত হোৱাৰ কাৰণে বিয়া পাতিব নিবিচাৰে তেতিয়া সিদ্ধান্ত লোৱাৰ অধিকাৰ তাইৰ নিজৰ ওপৰত নিৰ্ভৰশীল। ৰিস্তা কৰা সম্বন্ধে বা ৰিস্তা নকৰা সম্বন্ধে তুমি এটা পৰামৰ্শ দি তাৰ পিছত পিছুৱাই যাবা। ৰিস্তা কৰা বা নকৰা তাই নিজেই সিদ্ধান্ত ল'ব। তাইৰ নিজৰ অধিকাৰ আছে তাইক বাধ্যবাধকতা যেন কৰা নহয়। আকৌ সমাজ বা আত্মীয়-স্বজনৰো কোনো অধিকাৰ নাই যে সিহঁতে বাধ্যবাধকতাৰ সৈতে কোনো বিধৱা মহিলাক গোটেই জীৱন বিধৱা ৰাখিব বা তাইক ক'ব যে তুমি গোটেই জীৱন বিধৱা হৈ থাকা। যদি নিজৰ ইচ্ছামতে কোনোবাই বিয়া পাতিব বিচাৰে কোৰাণৰ আদেশ অনুযায়ী তাইক বিয়া পাতিব দিয়ক। কোনো বিধৱা মহিলাক বিয়াৰ পৰা বাধা প্ৰধান কৰা অযথা আৰু বেয়া প্ৰথা হয় সেয়া নিজৰ ভিতৰৰ পৰা আঁতৰ কৰা হওঁক।

এটা ৰিৱায়তত আহিছে যে হজৰত আলি বিন আবি তালিব (ৰাঃ)ৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে তেওঁক তিনিবাৰ কৈছে- হে আলি ! যেতিয়া নমাজৰ সময় হৈ যায় তেতিয়া পলম নকৰিবা। আৰু এইদৰে যেতিয়া জানাজা উপস্থিত হৈ যায় বা মহিলা বিধৱা হৈ যায় আৰু তাইৰ সমপৰ্যায়ৰ সঙ্গী পাই যায় তেতিয়া সেই ক্ষেত্ৰত পলম নকৰিবা। (তিৰমিজি কিতাবুছ ছালাত- বাব ফিল ওৱাকতিল আউৱাল)

ইয়াত তেখেত (ছাঃ)য়ে দুটা কথা যি মানুহৰ সৈতে সম্বন্ধিত ৰাখে ইবাদতৰ সৈতে ৰাখিছে। নমাজ যি আল্লাহৰ চৰণত অৱনত হোৱা সেইজনাৰেই উপাসনা কৰা ফৰজ হয় আৰু উপাসনাৰ উদ্দেশ্যেই মানুহক সৃজন কৰা হৈছে নমাজ সেই সময়ত আদায় কৰাৰ আদেশ আছে যেতিয়া নমাজৰ সময় আহি যায় তাতে পলম কৰা উচিত নহয় ইয়াৰ মাজতেই আমাৰ কল্যাণ নিহিত। আৰু পৱিত পৰিৱেশ গঢ়ি তোলাৰ জামিনও ইয়াতেই আছে যে আল্লাহ তা'লাই যি উপাসনাৰ সময় নিৰ্দ্দিষ্ট কৰিছে তেতিয়াই আদায় কৰা হওঁক; তাৰ পিছত কৈছে যে জানাজা, যদি কোনোবাই মৃতু বৰণ কৰে তেতিয়া তেওঁক দফন কৰাত ততাতৈয়া কৰিব লাগে। মৃতকৰ সন্মান ইয়াতেই নিহিত আছে। কিছুমান বংশত জানাজা পলম কৰাৰ ফলত কিছুমান সমস্যাৱলীয়ে দেখা দিয়ে সেই কাৰণে অনতি পলমে দফন কৰিব লাগে। আকৌ কৈছে- মহিলা যদি বিধৱা হৈ যায় আৰু বিয়াৰ যোগ্যতা ৰাখে আৰু তাইৰ সঙ্গী পাই যায়, উপযুক্ত ৰিস্তা পাই যায়, সমাজত সেই মহিলাৰ যি স্থান সেই অনুযায়ী হয় বংশধৰৰ ক্ষেত্ৰত নিজৰ চাল-চলনৰ ক্ষেত্ৰত সম মস্তিষ্কৰ হয় আৰু মহিলাৰ পছন্দও হয় তেতিয়া আত্মীয়-স্বজনে ইয়াত বাধা নিদিব,আৰু সিহঁতৰ অধিকাৰ যে অনতি পলমে তাইৰ যেন বিয়া পাতি দিয়ে। ইয়াৰ ফলত পৱিত্ৰ পৰিৱেশ গঢ়ি উঠিব; আৰু মহিলাজনীয়েও বহু কথাৰ পৰা যিয়ে বিধৱা হোৱাৰ বাবে সমাজত সহ্য কৰিবলগীয়া হৈছিল তাৰ পৰা বাচি যাব। আকৌ বিধৱাক নিজকে অধিকাৰ প্ৰদান কৰা হৈছে যে তাই নিজেই বৈধ পদ্ধতিত ৰিস্তা কৰিব পাৰে যেনেকুৱা কোৰাণ কৰিমৰ পৰা প্ৰমাণিত। এয়া এই কাৰণেই হয় যাতে তাই নিজকে সুৰক্ষিত ৰাখিব পাৰে।

এই অধিকাৰৰ বিষয়ে আঁ-হজৰত (ছাঃ)য়ে এইদৰে ব্যাখ্যা কৰিছে যে এটা ৰিৱায়তত আছে- ইবনে আববাছৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে-বিয়াৰ ক্ষেত্ৰত বিধৱা নিজৰ বিষয়ে সিদ্ধান্ত লোৱাত নিজৰ অলীতকৈয়ো বেছি অধিকাৰ ৰাখে; আৰু যুৱতীৰ পৰা অনুমতি লোৱা হ'ব তাই নীৰৱ থকাই অনুমতি বুলি জানি লোৱা হ'ব। (ছুনন আদ্দাৰমি- কিতাবুল নিকাহ-বাব ইছতামাৰাল বকৰ ওৱাছ ছায়িব)

স্পষ্ট হৈ গ'ল যে বিধৱাৰ অধিকাৰ উৰ্দ্ধতৰ, কিন্তু যুৱতী ছোৱালীৰ বিষয়ে এইটো চৰ্ত আছে যে তাইৰ অলী তাইৰ বিষয়ে ফয়চালা কৰিব আৰু সেয়া এই কাৰণেই যে আল্লাহ তা'লাৰ আদেশসমূহ প্ৰকৃততে পৰিৱেশত উপকাৰ আৰু শান্তি সৃষ্টি কৰাৰ কাৰণে হয়; কাৰণ বিধৱাসকলে দুনিয়াৰ অভিজ্ঞতাৰ মাজেৰে পাৰ হৈছে দুনিয়াৰ উৰ্দ্ধ-নীচ দেখিছে সেই কাৰণে ইল্লা মাশ্বাল্লাহ চিন্তা-ভাৱনা কৰি সিদ্ধান্ত ল'ব পাৰিব সেই কাৰণেই তাইক অধিকাৰ প্ৰদান কৰা হৈছে। কিন্তু গাভৰু ছোৱালী কেতিয়াবা পাহৰি গৈ ভুল সিদ্ধান্ত ল'ব পাৰে সেই কাৰণে তাইৰ ৰিস্তাৰ অধিকাৰ তাইৰ অলীক দিয়া হৈছে। অথচ তাইক এই অধিকাৰ দিয়া হৈছে যে যদি তাই নিজৰ অলী বা দেউতাৰ সিদ্ধান্তৰ বিৰোধ হয়, তাৰ ওপৰত সন্তুষ্টি নহয় তেতিয়া জমাতৰ ব্যৱস্থাপনাক অৱগত কৰা হওঁক আৰু ফয়চালা কৰি লওঁক কিন্তু নিজেই খোজ আগবঢ়াৰ অনুমতি নাই। এনে কৰিলে পৰিৱেশত পুণ্য আৰু শান্তি প্ৰতিষ্ঠাৰ সলনি ফিৎনা-ফাছাদ সৃষ্টি হোৱাৰ আশাঙ্খা থাকে। অৰ্থাৎ কেইবাবাৰ এনেকুৱা হৈছে যে কিছুমান ছোৱালীৰে আঁ-হজৰত (ছাঃ)ক কৈছে যে দেউতাই অমুক ৰিস্তা কৰাব বিচাৰে তেতিয়া তেখেত (ছাঃ)য়ে ছোৱালীৰ অধিকাৰত সিদ্ধান্ত দিছে। কেতিয়াবা ছোৱালীয়ে কৈছে যে মই (এই ৰিস্তা) অপছন্দ কৰো। অৰ্থাৎ এবাৰ এজনী ছোৱালী আঁ-হজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত হয় আৰু কয় যে আমাৰ ৰিস্তা কৰাৰ বিষয়ে কোনো অধিকাৰ নাই নে? তেখেত (ছাঃ)য়ে কয়, নিশ্চয় আছে। তেতিয়া ছোৱালীজনীয়ে কয় মোৰ দেউতাই মোৰ ৰিস্তা অমুক বয়সীয়াল ব্যক্তিৰ সৈতে কৰাব বিচাৰে বা কৰাই আছে বা কৰি দিছে। তেতিয়া তেখেত (ছাঃ)য়ে কয় তোমাৰ অধিকাৰ আছে। কিন্তু সেই পুণ্য প্ৰকৃতিৰ ছোৱালীজনীয়ে কয়, মই কেৱল মহিলাৰ অধিকাৰ প্ৰতিষ্ঠিত কৰিব বিচাৰিছিলোঁ মোৰ দেউতাৰ হৃদয়ত আঘাত জন্মাব নিবিচাৰো; কাৰণ মই মোৰ দেউতাক বৰ ভাল পাওঁ; গতিকে মই এই ৰিস্তা গ্ৰহণ কৰো কিন্তু অধিকাৰ ছোৱালীবিলাকৰ নিশ্চয় হোৱা উচিত এই কাৰণেই মই উপস্থিত হৈছিলো।

আকৌ এবাৰ তেখেত (ছাঃ)য়ে ছোৱালীৰ দেউতাই কৰি দিয়া ৰিস্তা (যি

ছোৱালীজনীৰ ইচ্ছাৰ বিৰুদ্ধে আছিল) ভাঙি দিয়ে। ৰিৱায়তত আহিছে যে হজৰত আব্দুল্লাহ বিন ইবনে আব্বাছ (ৰাঃ)য়ে বয়ান কৰিছে যে এজনী মহিলাৰ স্বামীৰ মৃত্যু ঘটে। তাইৰ এজন সন্তানও আছিল। শিশুৰ খুৰাই মহিলাজনীৰ দেউতাৰ পৰা বিধৱাজনীৰ বিয়া পতাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। মহিলাজনীয়েও সন্মতি প্ৰকাশ কৰে। কিন্তু তাইৰ দেউতাকে তাইৰ বিয়া মহিলাজনীৰ বিনা সন্মতি ক্ৰমে অইনৰ সৈতে কৰি দিয়ে। সেই ছোৱালীজনী হুজুৰ (ছাঃ)ৰ সেৱাত উপস্থিত হয় আৰু অভিযোগ কৰিলে,হুজুৰ (ছাঃ)য়ে তাইৰ দেউতাক মাতি অনাই সুধিলে,তাইৰ দেউতাই কলে তাইৰ দেৱৰতকৈ উত্তম মানুহৰ সৈতে তাইৰ বিয়া কৰাই দিছো। হুজুৰ (ছাঃ)য়ে দেউতাই কৰা বিয়া ভাঙি শিশুৰ খুৰাৰ অৰ্থাৎ তাইৰ দেৱৰৰ সৈতে মহিলাজনীৰ বিয়া পাতি দিয়ে। (মছনদ ইমামুল আ'জম-কিতাবুন নিকা)

এতিয়া ইয়াত বিধৱাৰ অধিকাৰ উৰ্দ্ধত আছিল আৰু আন আন মহিলা (ছোৱালী)ৰ সন্মতিও দেখিবলগীয়া আছিল। কিন্তু জমাত আহমদীয়াত নিশ্চয় দেখা যাব যে ছোৱালী য'ত ৰিস্তা কৰি আছে বা ৰিস্তা কৰাৰ ইচ্ছুক হয় সেইজন আহমদী হয় নে নহয়। কাৰণ এই সকলোবোৰ কথাৰ সাৰমৰ্ম পৱিত্ৰ পৰিৱেশ গঢ়ি তোলা। পুণ্যক স্থাপিত কৰা আৰু পুণ্যবান সন্তান প্ৰাপ্ত কৰা। যদি আহমদী ল'ৰাই আহমদী ছোৱালীক এৰি আৰু আহমদী ছোৱালীয়ে আহমদী ল'ৰাক এৰি আনৰ সৈতে বিয়া পাতিব তেতিয়া পৰিৱেশত, বংশত বিবাদ সৃষ্টি হোৱাৰ ভয়াবহতা হৈ যাব। নতুন প্ৰজন্ম ধৰ্মৰ পৰা আঁতৰ হোৱাৰ আশাঙ্খা সৃষ্টি হৈ যাব। এই কাৰণে ধৰ্মৰ প্ৰতি ধ্যান দিয়া সেইদৰে জৰুৰী যিদৰে দুনিয়াৰ প্ৰতি। আমাৰ কিছুমান ল'ৰা আৰু ছোৱালীবিলাকৰ প্ৰবণতা হয় অআহমদীৰ সৈতে ৰিস্তা কৰাৰ। এইফালে ধ্যান দিয়াৰ বহু প্ৰয়োজন আছে। বিশেষ কৰি স্বাধীন পৰিৱেশত। ব্যৱস্থাপনাৰো এই বিষয়ে চিন্তা-ভাৱনা বাঢ়ি গৈছে যে এনেকুৱা ঘটনাৱলী বহু পৰিমাণে হ'ব ধৰিছে যে নিজৰ ইচ্ছাত অআহমদীৰ সৈতে, অইন ধৰ্মত ৰিস্তা কৰিব ধৰিছে।

এটা ৰিৱায়তত আছে যে হজৰত আবু হাতিমৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে কৈছে যদি তোমাৰ ওচৰত কোনো এনেকুৱা ব্যক্তিয়ে ৰিস্তাৰ

প্ৰস্তাৱ লৈ আহে যাৰ দ্বীন আৰু চৰিত্ৰ তোমাৰ পছন্দ হয় তেতিয়া ৰিস্তা কৰি দিয়া। যদি এনেকুৱা কৰা নহয় তেন্তে পৃথিৱীত ফিৎনা ফাছাদ সৃষ্টি হৈ যাব। প্ৰশ্নকাৰীয়ে প্ৰশ্ন কৰিব বিচাৰিলে কিন্তু তেখেত (ছাঃ)য়ে তিনি বাৰ এয়াই কলে যে তোমাৰ ওচৰত যদি কোনোবায় ৰিস্তাৰ প্ৰস্তাৱ আগবঢ়ায় আৰু তোমাৰ তাৰ দ্বীনদাৰ আৰু  চৰিত্ৰ পছন্দ হয় তেন্তে ৰিস্তা কৰি লোৱা। (তিৰমিজি- কিতাবুন নিকাহ)

তেখেত (ছাঃ)য়ে এইফালে জোৰ দিছে যে দ্বীনদাৰ ল'ৰাৰ সৈতে ৰিস্তা কৰি লোৱা। আৰ্থিক ফালৰ পৰা দুৰ্বল থাকিলেও আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি এয়া যে  ধৰ্মৰ ওপৰত স্থিৰ হৈ থাকক আল্লাহ তা'লা পৰিস্থিতি ভাল কৰি দিব। এই কাৰণে যেতিয়া ছোৱালীৰ ৰিস্তাৰ প্ৰস্তাৱ আহে তেতিয়া বেছি দীৰ্ঘ সময় ৰৈ থাকিব নালাগে যদি দ্বীনদাৰ হয় তেতিয়া ৰিস্তা কৰি দিয়া উচিত। এইদৰে ল'ৰাবিলাককো আঁ-হজৰত (ছাঃ)য়ে কৈছে যে ৰিস্তা কৰা সময়ত ছোৱালীৰ বাহ্যিক আৰু পাৰ্থিৱতাৰ ফালে দৃষ্টি নকৰিব; তাইৰ দক্ষতাক নেদেখিব অৰ্থাৎ এয়া চোৱা যে তাই কিমান পুণ্যবান।

অৰ্থাৎ হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে কোনো মহিলাৰ সৈতে নিকা কৰাৰ চাৰিটা বুনিয়াদ হ'ব পাৰে। হয়তো তাইৰ সম্পত্তিৰ কাৰণে,বা তাইৰ বংশধৰৰ কাৰণে বা তাইৰ সৌন্দৰ্যতাৰ কাৰণে বা তাইৰ ধাৰ্মিকতাৰ কাৰণে। কিন্তু তুমি দ্বীনদাৰ মহিলাক প্ৰাধান্য দিয়া। আল্লাহ তোমাক ভাল কৰক আৰু তুমি যেন দ্বীনদাৰী মহিলা পাই যোৱা। (বুখাৰী কিতাবুন নিকাহ বাব আলআকফায়ু ফিদ্দিন)

গতিকে এইফালে আকৃষ্ট কৰি ভৱিষ্যত বংশধৰক দ্বীনদাৰ হোৱাৰ প্ৰতি বাহ্যিক ৰূপত প্ৰকৃততে আকৃষ্ট কৰিছে ; নিজৰ ঘৰৰ ভিতৰৰ পৰিৱেশ শান্তিময় কৰি তোলাৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে; কাৰণ মাতৃ যদি পুণ্য হয় আৰু দ্বীনদাৰ হয় তেতিয়া নিশ্চয় সন্তানও দ্বীনদাৰ হ'ব। পুণ্যবান আৰু দ্বীনদাৰ সন্তাতকৈ  ডাঙৰ সম্পদ আৰু নাই যিয়ে মানুহক শান্তি প্ৰাপ্ত কৰাব পাৰে। এজন মোমিনৰ বাবে পৰিৱেশত সন্মান হোৱাৰ একমাত্ৰ পুণ্যবান আৰু দ্বীনদাৰ সন্তানেই হ'ব পাৰে। গতিকে এইফালে প্ৰত্যেকজন আহ্মদীয়ে

মনোযোগ দিয়া উচিত। এই অভিযোগ এতিয়া সাধাৰণ হৈ পৰিছে যে ছোৱালী পুণ্যবান হয়,ভদ্ৰ হয়, চৰিত্ৰবান হয়, লিখা-পঢ়া হয়, জমাতৰ কাম-কাজত অংশ লয়; কিন্তু সৌন্দৰ্যবান ইমান নহয় বা দেখাসকলৰ দৃষ্টিত ওখ সিমান নহয়, সেই কাৰণে লোক আহে চাই কেনে গুচি যায়। এই বিষয়ে পূৰ্বতেও মনোযোগ আকৰ্ষণ কৰা হৈছে যে সৌন্দৰ্যতা আৰু ওখ এই বিষয়ে ছবিৰ দ্বাৰা অৱগত কৰিব পৰা যায়। আকৌ ঘৰত গৈ ছোৱালী সকলক দেখা আৰু তাইক আমনি কৰাৰ কিয় প্ৰয়োজন ? আল্লাহ তা'লাই এই কাৰণেই আদেশ প্ৰদান কৰিছে যে সেই বস্তুৰ প্ৰতি ধ্যান নিদিবা,দ্বীনদাৰক চোৱা। এই কাৰণেই আঁ-হজৰত (ছাঃ)য়ে কৈছে যে নিজৰ বংশধৰক যদি চম্ভালিব বিচৰা তেন্তে ধৰ্মক প্ৰাধান্য দিয়া। যেতিয়া ছোৱালীৰ দ্বীনদাৰৰ প্ৰতি লক্ষ্য ৰখা তেতিয়া আঁ-হজৰত (ছাঃ)ৰ দোৱাৰ ভাগীদাৰী হ'বা আৰু নিজৰ বংশধৰক ধৰ্মৰ ওপৰত স্থিৰ থকা দেখিবলৈ পাবা।

কিছুমান লোকসকলে ৰিস্তা কৰাৰ সময়ত ছোৱালীসকলক এনেকুৱা ভাৱে তদন্ত কৰি থাকে যেনেকুৱা কোৰবাণীৰ ছাগলীবোৰৰ তদন্ত লোৱা হয়। বিয়া এক বন্ধন হয়। এটা দলৰ কোৰবাণীৰ নাম হয়। অৰ্থাৎ উভয় দলৰ পৰস্পৰ পৰস্পৰৰ বাবে কোৰবাণীৰ নাম হয়,এয়া এনেকুৱা বন্ধন হয়।

হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)য়ে বয়ান কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে যে দুনিয়া পাৰ্থিৱ বস্তু হয় পুণ্যবান মহিলাতকৈ অধিক কোনো আৰু পাৰ্থিৱ বস্তু নাই। (ইবনে মাজা আবওৱাবুন নিকাহ- বাব আফজালুন নিছা)

গতিকে সেই লোকসকলৰ বাবে যিসকলে পাৰ্থিৱ বস্তুৰ সৈতে জড়িত; সিহঁতৰ এই হাদীছ স্মৰণ ৰখা উচিত যে পুণ্যবান মহিলাতকৈ তোমাৰ কাৰণে আন কোনো পাৰ্থিৱ বস্তু নাই। পুণ্যবান মহিলাই তোমাৰ ঘৰখনকো চম্ভালি ল'ব আৰু তোমাৰ সন্তানবিলাককো উন্নত ধৰণৰ প্ৰশিক্ষণ কৰিব। ফলাফল তুমি দ্বীন আৰু দুনিয়াত উন্নতি লাভ কৰিব পাৰিবা।

আন এটা ৰিৱায়তত আহিছে যে হজৰত আয়শ্বা (ৰাঃ)ৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে কৈছে- পুণ্যবান পুৰুষ আৰু পুণ্যবান মহিলাৰ বিয়া পাতি

দিবা।(ছুনন আদ্দাৰমি-কিতাবুন নিকাহ-বাব ফিন নিকাহি চালিহিন)

ইয়াতো পুণ্যবান ল'ৰা আৰু ছোৱালীৰ বিয়াৰ প্ৰতি ইঙ্গিত কৰা হৈছে। আৰু এই পুণ্য কাম সমাজত ফাছাদ মুক্তি কৰাৰ মাধ্যম হয়। এই কাৰণে এনেকুৱা বিষয়ত ততাতৈয়া কৰা উচিত। কিন্তু আজিকালি দেখিবলৈ পোৱা যায় যে এনেকুৱা লোক অধিক সংখ্যাত আছে মাতৃ-পিতৃৰ সৈতে ল'ৰা আছে। ৩৪/৩৫ বছৰ বয়স হয় কিন্তু সিহঁতক নিজৰ সৈতে লগাই ৰাখি থাকে; আৰু সিহঁতক এতিয়ালৈকে বিয়া পাতি দিয়া নাই,আৰু বিয়াৰ প্ৰতি মনোযোগও নিদিয়ে।

কিছুমান মানুহ এনেকুৱা আছে যিসকলে নিজৰ ছোৱালীৰ উপাৰ্জন নিজে ব্যয় কৰাৰ বাবে এনেকুৱা কৰি থাকে। কিছুমানে নিজৰ ল'ৰাৰ উপাৰ্জন ভোগ কৰাৰ বাবে এনেকুৱা কৰি থাকে; আৰু যিসকলে ছোৱালীৰ উপাৰ্জন ভোগ কৰিবলগীয়া সেয়া কেৱল এই কাৰণেই কৰে যে ঘৰত যিবিলাক ল'ৰা আছে সিহঁত ব্যৰ্থ, কোনো কাম-কাজ নকৰে,লিখা পঢ়া কৰা নাই এই কাৰণে ঘৰখন ছোৱালীৰ উপাৰ্জনৰ মাধ্যমে চলি আছে আৰু যদি বিয়া পাতিও দিয়ে তথাপি চেষ্টা থাকে যে জোৱাইক যেন ঘৰ জোৱাই কৰিব পাৰে আৰু নিজৰ ঘৰতেই যেন থাকিব পাৰে যি সম্ভৱপৰ নহয়। যাৰ ফলত কাজিয়া-বিবাদ সৃষ্টি হয়; এই কাৰণে বিয়াৰ পিছত স্বামী স্ত্ৰী পৃথক থাকিব বিচাৰে; আৰু পিতৃ-মাতৃয়ে সিহঁতৰ শেষ বয়সলৈ গৈ পায় যেতিয়া সিহঁতৰ কোনো সহায়ৰ প্ৰয়োজন পৰে তেতিয়া কোনো সন্তান তেওঁৰ ওচৰত নাথাকে,এনেকুৱা হয় যদি সেইটো বেলেগ কথা যে ত্যাগ স্বীকাৰ কৰিব লাগে। সেয়াও ল'ৰাৰেই কাম; যদি কোনোবাৰ ল'ৰা নাই তেতিয়া ছোৱালী বাধ্য। যদি ছোৱালীক বিয়া দি অইনৰ ঘৰলৈ পঠাই দিছে তেতিয়াহলে সিহঁতক নিজৰ জীৱন কটাব দিয়া উচিত। এইফালে আমাৰ জমাতৰ ব্যৱস্থাপনাৰ, আমাৰ জিলি তনজিম লাজনা,খুদ্দাম,আনছাৰ,সিহঁতকো মনোযোগ আকৰ্ষণ কৰা উচিত। সিহঁতকো প্ৰশিক্ষণৰ অধীনত বুজোৱা উচিত। আনচাৰসকলে নিজৰ সন্তানক বুজাব, লাজনা আৰু পিতৃ-মাতৃকসকলে ছোৱালীবিলাকক আৰু খুদ্দাম ল'ৰাবিলাকক বুজাব।

আন এটা ৰিয়ায়তত আছে যে হজৰত মুগেয়ৰা (ৰাঃ)য়ে বয়ান কৰিছে যে তেওঁ এবাৰ বিয়াৰ প্ৰস্তাৱ আগবঢ়ায় তেতিয়া তেখেত (ছাঃ)য়ে কয় যে সেই ছোৱালীজনীক প্ৰথমে চাই লোৱা কাৰণ এনেকুৱা কৰাত তোমাৰ আৰু সেই ছোৱালীৰ মাজত প্ৰেম বৃদ্ধি পায়। (তিৰমিজি কিতাবুন নিকাহ-বাব ফিন নাজৰি ইলাল মাখতুবাতু)

এই অনুমতিক আজিকালিৰ কিছুমান সমাজত কিছুমান লোকসকলে ভুল বুজি লৈছে; আৰু এই অৰ্থ কৰিছে যে এজনে আনজনক বুজাৰ বাবে সদায় পৃথক ভাৱে বহি থাকক,পৃথক ভাৱে ফুৰি থাকক। আন আন চহৰবোৰত গুচি যোৱাত কোনো দোষ নাই, ঘৰত যদি ঘণ্টালৈকে পৃথকভাৱে বহি থাকে তেন্তে এয়া ভুল। অৰ্থ এয়া যে সন্মুখীন হৈ এজনে আনজনক চাই লোৱাত সহজ হয়। লৰ-চৰ কৰি থাকোতে জানিব পৰা যায়। আকৌ আজি কালি ঘৰৰ মানুহৰ সৈতে বহি আহাৰ কৰোঁতে কোনো দোষ নাই। আহাৰ খাই থকোতেই এজনে আনজনৰ বহু চাল-চলন আৰু অভ্যাস প্ৰকাশিত হৈ যায়। কোনো কথা অপছন্দীয় লাগিলে উত্তম হয় যে আগতেই জানিব পৰা গৈছে যাতে পিছত গৈ বিবাদ সৃষ্টি নহয়। আৰু যদি ভাল কথা হয় তেতিয়া একমত আৰু প্ৰেম এই ৰিস্তাৰ সৈতে আৰু অধিক পৰিমাণে সৃষ্টি হৈ যায় বা ৰিস্তাৰ পয়গামৰ সৈতে; তেতিয়া বিয়াৰ পূৰ্বতেই এক সম্পৰ্ক স্থাপিত হৈ যায়। কিছুমানৰ লোকৰ এয়া ভূমিকা হয় যে যদি কোনোবাৰ ৰিস্তা হৈ যায় তেতিয়া সেই ৰিস্তা বিচ্ছেদৰ সৃষ্টি কৰে। সিহঁতে মুখামুখী হৈ মিলনৰ সুযোগ নাপাব এজনে আনজনৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে জানিব নোৱাৰিব, কাৰণ এজনে আনজনৰ বিষয়ে অৱগত থাকে। কিন্তু কিছুমান লোক সীমালঙ্ঘন অতিক্ৰম কৰি গৈছে সিহঁতৰ এয়াও সহ্য নহয় যে ল'ৰা-ছোৱালী বিয়াৰ আগতে বা প্ৰস্তাৱৰ সময়ত এজনে আনজনক মুখামুখী হৈ বহিব পাৰিব সেইটোক অহংকাৰ নাম দিয়া হয়। ইছলামৰ শিক্ষা বিস্তৃত শিক্ষা হয়। নে কম বেছি, নে এক চৰম সীমালৈ,নে আন চৰম সীমালৈ। গতিকে ইয়াৰ ওপৰতেই আমল হোৱা উচিত। ইয়াৰ দ্বাৰাই সমাজত শান্তি সৃষ্টি হ'ব আৰু অশান্তি আঁতৰ হ'ব।

আন এটা ৰিৱায়তত আছে হজৰত মাকল বিন ইছাৰ (ৰাঃ)য়ে বৰ্ণনা

কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে তুমি এনেকুৱা মহিলাৰ সৈতে বিয়া পতা যিয়ে প্ৰেম কৰা জানে আৰু যাৰ বেছি সন্তান জন্ম হ'ব আৰু বেছি সদস্যৰ বাবে পূৰ্বৰ উম্মতৰ ওপৰত মই গৰ্ব কৰিব পাৰো। (আবু দাউদ- কিতাবুন নিকাহ- বাব তাজওৱাজুল আবকাৰ)

বেছি সন্তান থকা মহিলাক তেখেত (ছাঃ)য়ে এই মৰ্যাদাও প্ৰদান কৰিছে যে তাইৰ সন্তান অধিক হোৱাৰ বাবেও এক মৰ্যাদা আছে,কাৰণ এয়া মোৰ উম্মতত (সংখ্যা) বেছি হোৱাৰ কাৰণ হ'ব পাৰে। ইয়াতে এই উদ্দেশ্য নহয় যে কেৱল গণনাক বৃদ্ধি কৰা যে সদস্য বেছি হৈ যাওঁক, অৰ্থাৎ এনেকুৱা সন্তান জন্ম লওঁক যিসকলে পুণ্য কাম কৰাত অগ্ৰগতি লাভ কৰে; আল্লাহ তা'লাৰ নিৰ্দেশাৱলীৰ ওপৰত কাৰ্যকৰী হ'ব পাৰে তেতিয়াহে তোমাৰ বাবে গৰ্বৰ বিষয় হ'ব। অৰ্থাৎ ইয়াত মহিলাসকলৰ এই দায়িত্বও অৰ্পে যে কেৱল সন্তানৰ ওপৰতেই গৰ্ব নকৰিব; অৰ্থাৎ পুণ্যৰ ওপৰত প্ৰতিষ্ঠিত থকা সন্তান বনোৱাৰ চেষ্টা কৰিব যিসকলে তেখেত (ছাঃ)ৰ উম্মত বুলি কোৱাত গৰ্ব অনুভৱ কৰিব পাৰে। তেখেত (ছাঃ) যিদৰে কৈছে যে মোৰো সেই মহিলাসকলৰ ওপৰত গৰ্ব হ'ব যিসকলৰ সন্তান অধিক পৰিমাণে হ'ব আৰু পুণ্যৰ ওপৰত প্ৰতিষ্ঠিত থাকিব।

আঁ-হজৰত (ছাঃ)য়ে নিজেই চাহাবাসকলৰ বিয়া পতাইছে আৰু সদায় মনোযোগ আকৰ্ষণ কৰিছে। মাজে সময়ে যেতিয়া কোনোবাৰ ৰিস্তাৰ প্ৰস্তাৱ হৈছে তেতিয়া তেখেত (ছাঃ)য়ে নিজেই আনন্দৰ সৈতে নিজস্ব ভাৱে ব্যৱস্থা কৰিছে। এইদৰে এটা ৰিৱায়ত হজৰত ৰাবিয়া আছলামী (ৰাঃ)য়ে বৰ্ণনা কৰিছে। (দীৰ্ঘ ৰিৱায়ত হয়) মছনদ আহমদ বিন হাম্বলত আহিছে। যাৰ সাৰাংশ এয়া যে হজৰত ৰাবিয়া ৰছুলে কৰিম (ছাঃ)ৰ সেৱালৈ আগবাঢ়িছিল। এবাৰ ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে ৰাবিয়া ! বিয়া নাপাতিবা নে ? তেওঁ কয়,নাপাতো,কেইবা দিন পিছত তেখেত (ছাঃ)য়ে কয়,ৰাবিয়া ! বিয়া নাপাতিবা নে ? তেতিয়া তেওঁ কয়,নাপাতো। তাৰ পিছত ৰাবিয়া নিজেই চিন্তা-ভাৱনা কৰিলে যে মোৰ ভাল-বেয়া বিচৰা জন হজৰত মহম্মদ (ছাঃ)য়েই হয়। তেখেত (ছাঃ)য়ে জানে যে কোনটো ভাল হ'ব আৰু কোনটো বেয়া হ'ব।

যদি আপুনি মোক সুধে তেতিয়া মই উত্তৰ দিম হয়।
যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে তৃতীয় বাৰ মোক সুধিলে তেতিয়া মই হয় বুলি উত্তৰ দিলো। তাৰ ওপৰত ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে আনছাৰৰ অমুক বংশৰ ফালে যোৱা আৰু তেওঁক মোৰ পয়গাম দিবা যে অমুক ছোৱালীৰ সৈতে তোমাৰ বিয়া কৰাই দিয়ক। অৰ্থাৎ ৰছুলে কৰিম (ছাঃ)ৰ পয়গাম তেওঁ তৎক্ষণাত গ্ৰহণ কৰি ললে আৰু তেওঁৰ বিয়া সেই ছোৱালী জনীৰ সৈতে হৈ যায়। তাৰ ওপৰত ৰছুলে কৰিম (ছাঃ)য়ে অলিমা (খোৱা-লোৱাৰ যোগান)ৰ সকলোবোৰ ব্যৱস্থা নিজেই কৰে আৰু নিজে সেই অলিমাত অংশ লৈ দোৱা কৰোৱায়।(মছনদ আহমদ বিন হাম্বল-মছনদুল মদিনায়নি)

* yŷá â VäZNyÑý # äbï ýF íY bG\ Ný bÿÜí R # ä ৰবাছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে অজ্ঞতাৰ যুগত এই প্ৰথা আছিল যে যেতিয়া কোনো ব্যক্তিৰ ওচৰত কোনো এতীম ছোৱালী আছে তেতিয়া তাইৰ ওপৰত এখন কাপোৰ পাৰি দিছিল।যেতিয়াই তাইৰ ওপৰত সেই কাপোৰ পাৰি দিছিল তেতিয়া কোনোবাৰ সাহস হোৱা নাছিল যে সেই ছোৱালীজনীৰ সৈতে বিয়া পাতিব। আৰু যদি তাই ধুনীয়া আৰু সম্পত্তিবান আছিল তেতিয়া তেওঁ নিজেই তাইৰ সৈতে বিয়া পাতি লৈছিল আৰু তাইৰ সম্পত্তিক লৈ লৈছিল। আৰু যদি বেছি ধুনীয়া নহয় আৰু সম্পত্তিবান নহয় তেতিয়া সেই ব্যক্তি গোটেই জীৱন অৰ্থাৎ তাইৰ মৃত্যুলৈকে তাইক নিজৰ ওচৰতেই ৰাখিছে। যেতিয়া তাই মৃত্যু বৰণ কৰিছে তেতিয়া তাইৰ ধন-সম্পত্তিৰ মালিক হৈ গৈছে।

আৰবৰ এই অৱস্থা আছিল যাৰ কাৰণে আল্লাহ তা'লাই আমাক বিধৱা আৰু এতীমসকলৰ বিয়াৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাইছে; আৰু আঁ-হজৰত (ছাঃ)য়ে নিজেই মনোযোগ দি নিজৰ চাহাবা আৰু চাহাবী সকলৰ বিয়াৰ ব্যৱস্থা কৰোৱাইছে আৰু সেই আদেশসমূহৰ ওপৰত কাৰ্যকৰী কৰোৱাইছে আৰু মনোযোগ আকৰ্ষণ কৰোৱাইছে যে যেতিয়া বিয়াৰ উপযুক্ত হয় তেতিয়া সিহঁতক বিয়া পাতি দিবা। বিধৱাজনী যদি বিয়াৰ যোগ্যতা ৰাখে আৰু বিয়াৰ ইচ্ছুক হয় তেতিয়া তাইক বিয়া পাতি দিবা। আৰু কেৱল নিজৰ স্বাৰ্থ লাভৰ বাবে ছোৱালীসকলক নিজৰ ঘৰতে বহাই নাৰাখিবা। আৰু নে ল'ৰাবিলাকক

(স্বাৰ্থ লাভৰ)বাবে বিয়া কৰাত পলম কৰিব। এয়া গোটেই সমাজৰ দায়িত্ব হয় যে বিয়াৰ উপযুক্ত সকলক বিয়াৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাব।

এই যুগত বৰ অনুতাপৰ সৈতে কোৰাণ আৰু আঁ-হজৰত (ছাঃ)ৰ আদেশসমূহৰ ওপৰত কাৰ্যকৰী কৰোৱাৰ বাবে হজৰত মছীহ মাওউদ (আঃ)য়ে চেষ্টা কৰিছে। বিশেষ কৰি এই চেষ্টা আৰু মনোযোগ আকৰ্ষণ কৰোৱাইছে যে আহমদী ছোৱালী আৰু ল'ৰাবিলাকৰ ৰিস্তা জমাততেই হওঁক যাতে ভৱিষ্যত বংশধৰ ধৰ্মৰ ওপৰত স্থাপিত ৰাখিব পাৰে। তেখেত (আঃ)য়ে জমাতত ৰিস্তা কৰাৰ প্ৰতি পৰস্পৰৰ মাজত মনোযোগ আকৰ্ষণ কৰাইছে সেইসকলৰ বাবে যিসকলে অআহমদীৰ সৈতে ৰিস্তা কৰে। ইহঁতৰ বাবে এয়া,

তেখেত (আঃ)য়ে কৈছে- খোদা ত'লাৰ কৃপা আৰু দয়াত আমাৰ জমাতৰ সংখ্যাত বহু উন্নতি প্ৰদান হৈ আছে আৰু এতিয়া হাজাৰলৈকে গৈ পাইছে আৰু অনতিপলমে লাখ পৰ্যন্তলৈ গৈ পাবলগীয়া আছে। এতিয়া আল্লাহ তা'লাৰ কৃপাত কোটিলৈকে গৈ পাইছে। এই কাৰণে যুক্তিসঙ্গত ভাৱে জানিব পৰা গৈছে যে পৰস্পৰৰ মাজত প্ৰেম বৃদ্ধিৰ বাবে নিজৰ পৰিয়ালবৰ্গৰ আত্মীয়-স্বজনৰ বেয়া প্ৰভাৱ,বেয়া ফলাফলৰ পৰা ৰক্ষা পোৱাৰ বাবে ল'ৰা ছোৱালীৰ বিয়াৰ বিষয়ে কোনো উত্তম ব্যৱস্থা কৰা হওঁক। এয়া স্পষ্ট যে যিসকল লোক মৌলবীসকলৰ ছত্ৰ-ছাঁৰ অধীন হৈ কৃপনতা আৰু শত্ৰুতাৰ চৰম সীমালৈ গৈ পাইছে সিহঁতৰ সৈতে আমাৰ জমাতৰ নতুন ৰিস্তা অসম্ভৱ হৈ পৰিছে যেতিয়ালৈকে তেওঁ তৌবা কৰি এই জমাতত অন্তৰ্ভুক্ত নহয়। আৰু এতিয়া এই জমাত কাৰো ওপৰত নিৰ্ভৰশীল নহয়,নে ধৰ্মৰ ক্ষেত্ৰত,নে জ্ঞানৰ ক্ষেত্ৰত,নে কৃপাৰ ক্ষেত্ৰত,নে বংশৰ ক্ষেত্ৰত, নে পৰহেজগাৰীৰ (ধাৰ্মিকতাৰ)ক্ষেত্ৰত; খোদা প্ৰেমীত আগ্ৰগতি লাভ কৰা এই জমাতত অসংখ্য মজুদ আছে। আৰু এক ইছলামী জাতিৰ লোক এই জমাতত পোৱা যায় গতিকে এই ক্ষেত্ৰত কোনো প্ৰয়োজন নাই যে এনেকুৱা লোকসকলৰ সৈতে আমাৰ সম্পৰ্ক স্থাপিত কৰিব যিসকলে আমাক কাফিৰ বুলি কয় আৰু আমাৰ নাম দাজ্জাল বুলি ৰাখে বা নিজে নক'লেও এনেকুৱা লোকৰ অনুসৰণত আছে। যদিওবা নিজে নকয় কিন্তু যিসকলে কয় সিহঁতৰ প্ৰশংসা কৰে; আৰু

মনত ৰাখিব যিসকলে এনেকুৱা লোকসকলক এৰিব নোৱাৰে সিহঁতে আমাৰ জমাতত অন্তৰ্ভুক্ত হৈ থকাৰ যোগ্যতা নাৰাখে। যেতিয়ালৈকে পৱিত্ৰতা আৰু সত্যৰ বাবে এক ভাতৃয়ে অইন ভাতৃক এৰিব নোৱাৰে আৰু সন্তান নিজৰ দেউতাৰ পৰা পৃথক নহয় তেতিয়ালৈকে সিহঁতে আমাৰ অন্তৰ্ভুক্ত নহয়। গতিকে সকলোবোৰ জমাত মনোযোগেৰে শুনি লওঁক যে খোদা প্ৰেমীক হোৱাৰ বাবে সেই চৰ্তসমূহৰ বাধ্যবাধকতা জৰুৰী। এই কাৰণেই মই ব্যৱস্থা কৰিছোঁ যে ভৱিষ্যতত মোৰ হাতত গুপ্ত ভাৱে অৰ্থাৎ Confidential হৈ থাকিব এখন কিতাপ, য'ত এই জমাতৰ ছোৱালী আৰু ল'ৰাবিলাকৰ নাম লিখা থাকিব। যদি কোনো ছোৱালীৰ পিতৃ-মাতৃয়ে নিজৰ পৰিয়ালত ল'ৰাৰ এনেকুৱা চৰ্তাৱলী নাপায় যি নিজৰ জমাতৰে মানুহ হয় আৰু চাল-চলন আৰু চৰিত্ৰৰ ক্ষেত্ৰতো,আৰু এনেকুৱাও যদি ছোৱালী পোৱা নাযায় এই ক্ষেত্ৰত সিহঁতৰ ওপৰত বাধ্যতামূলক হ'ব যে সিহঁতে আমাক অনুমতি প্ৰদান কৰক যে জমাতৰ মাজতেই যেন সন্ধান কৰা হয়। আৰু প্ৰত্যেকেই আশ্বাস ৰখা উচিত যে আমি পিতৃ-মাতৃৰ সত্য সহানুভূতি আৰু উপকাৰাৰ্থে সন্ধান কৰিম,যথা সম্ভৱ এয়াই ধাৰণা থাকিব যে ল'ৰা বা ছোৱালী যি সন্ধান কৰা হ'ব ৰিস্তা হোৱা সকলৰ জাতিৰেই যেন হয়; আৰু যদি এনেকুৱা পোৱা নাযায় তেন্তে এনেকুৱা জাতিৰ সৈতে হওঁক যি সাধাৰণ প্ৰচলিত হিচাপে ৰিস্তা কৰি লয়। সকলোতকৈ বেছি এই ক্ষেত্ৰত ধ্যান দিয়া হ'ব যে ল'ৰা বা ছোৱালী যেন পুণ্যবান হয় আৰু পুণ্য আশা জগাব পাৰে। এই কিতাপ গুপ্ত ভাৱে ৰখা হ'ব; আৰু প্ৰয়োজন সাপেক্ষে উত্থাপন কৰা হ'ব, জনাই দিয়া হ'ব আৰু কোনো ল'ৰা বা ছোৱালীৰ বিষয়ে কোনো ৰায় প্ৰকাশ কৰা নহ'ব যেতিয়ালৈকে সিহঁতৰ পুণ্যবান চৰিত্ৰ প্ৰকাশিত নহয়। কিছুমান লোকসকলে সুধে যে আহি প্ৰথমে কওঁক। এই কাৰণে আমাৰ খোদা প্ৰেমী সকলৰ বাবে বাধ্যতামূলক যে নিজৰ সন্তানসকলৰ এখন নামৰ তালিকা বয়স আৰু জাতিয়তা লিখি প্ৰেৰণ কৰক যাতে সেয়া কিতাপত উল্লেখ কৰিব পৰা যায়।(মজমুৱা ইশ্বতে-হাৰাত,জিলদ দ্বিতীয়, পৃঃ ৫০-৫১)

এয়া হজৰত মছীহ মাওউদ (আঃ)ৰ তৰফৰ পৰা এক জাননী আছিল।

ইয়াৰ অধীনত এতিয়া এই শুবা ৰিস্তা নাতা কেন্দ্ৰত প্ৰতিষ্ঠিত আছে,গোটেই দুনিয়াত প্ৰতিষ্ঠিত আছে। কিছুমানে ব্যক্তিগত ভাৱেও উৎসা ৰাখে। সিহঁতৰ অধীনত জমাতী হিচাপে এই কাম কৰা হয়; আৰু আল্লাহৰ কৃপাত ৰিস্তা হৈ যায়; তথাপি কিছু অসুবিধা আছে। আল্লাহ তা'লা সেয়া আঁতৰ কৰক। কিন্তু ইয়াত সেইসকলৰ বাবে সন্তুষ্টিমূলক উত্তৰ আছে যিসকলে এয়া কয় যে আমাক ৰিস্তা কৰাৰ অনুমতি প্ৰদান কৰা উচিত। কৈছে যে যদিওবা এনেকুৱা লোক নিজে কাফিৰ বুলি নকয় বা ফতোৱা নিদিয়ে কিন্তু সিহঁতৰ সৈতে উঠা বহা কৰে। সিহঁতৰ কথাৰ হ্যাৰ সৈতে হ্যা মিলায়। ভয়ৰ কাৰণে একোৱেই ক'ব নোৱাৰে। সিহঁতৰ মছজিদলৈ যায় আৰু সিহঁতৰ কথাসমূহ শ্ৰৱণ কৰে সিহঁতে সেইসকলৰ লোকৰেই অন্তৰ্ভুক্ত; আৰু এনেকুৱা লোকসকলৰ সৈতে ৰিস্তা কৰা উচিত নহয়। আকৌ তেখেত (আঃ)য়ে কৈছে যে ল'ৰা আৰু ছোৱালীৰ নাম প্ৰেৰণ কৰক। এতিয়া আমাৰ এই শুবা ৰিস্তা নাতা হয় যেনেকুৱা মই কৈছো প্ৰত্যেক ঠাইত জমাতত প্ৰতিষ্ঠিত আছে; সিহঁতৰ বিৰুদ্ধে সাধাৰণতে এই অভিযোগ উত্থাপন হয় যে ছোৱালীসকলৰ ৰিস্তা নকৰোৱায়। সিহঁতৰ এয়া এক সমস্যা যে পিতৃ-মাতৃয়ে ছোৱালীসকলৰ নাম প্ৰেৰণ কৰি দিয়ে কিন্তু ল'ৰাৰ নাম প্ৰেৰণ নকৰে। যদি ল'ৰাবিলাকৰ তালিকাত নাম থাকে তেতিয়া ৰিস্তা কৰোৱাত সহজ হৈ পৰে। সাধাৰণতে ছোৱালীসকলৰ সংখ্যা ল'ৰাতকৈ অধিক পৰিমাণে হয়। ঠিক আছে কিন্তু ইমান বেছি হয় যে যদি ৫১/৫২ ছোৱালী হয় আৰু ৪৮/৪৯ ল'ৰা হয়; কিন্তু জামাতত যি নথি-পত্ৰ আহে তাতে যদি ৭/৮ ছোৱালীৰ নথি-পত্ৰ আছে তাত কেৱল এজন ল'ৰাৰ নথি-পত্ৰ আহে। এইদৰে ৰিস্তা কৰাত বৰ অসুবিধা হৈ পৰে। যদি উভয় ফালৰ পৰা পৰিপূৰ্ণ Bio-data আহে তেতিয়া ৰিস্তা কৰাত সহজ হৈ পৰিব। ল'ৰাৰ ৰিস্তা কেতিয়াবা পিতৃ-মাতৃয়ে অৰ্থাৎ সিহঁতে নিজেই কৰাবৰ বাবে চেষ্টা কৰে আত্মীয়-স্বজনৰ বাহিৰে বা প্ৰিয়সকলৰ বাহিৰে। ল'ৰাৰ ৰিস্তাৰ বাবেও নাম আৰু তালিকা আৰু Bio-data নিজামে জমাতত থকা উচিত। তেতিয়াহে ছোৱালীসকলৰ ৰিস্তা হ'ব পাৰিব যাতে উভয়ে চাই ৰিস্তাৰ প্ৰস্তাৱ আগবঢ়াব পাৰে। এই কাৰণেই পিতৃ-মাতৃৰ বাহিৰেও ল'ৰাবিলাকৰো এই ফালে মনোযোগ

দিয়া উচিত যে জমাতৰ ভিতৰতেই ৰিস্তা কৰাৰ চেষ্টা কৰিব আৰু যদি নিজৰ আত্মীয়-স্বজনত ৰিস্তা নাপায় তেন্তে জমাতী ব্যৱস্থাপনাৰ অধীনত ৰিস্তা কৰাৰ চেষ্টা কৰিব। কিছুমান লোকসকলে বংশ, জাত,আৰু সৌন্দৰ্যতাৰ সমস্যাক লৈ বাধা হৈ থিয় হয়। কিছু মই প্ৰথমে বয়ান কৰিছিলোঁ, আকৌ অস্বীকাৰ কৰি দিয়ে; পিছত এনেদৰে বাধা হৈ থিয় হয় যে ছোৱালীৰ ৰিস্তা স্থিৰ হোৱাত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। গতিকে এই জাত-পাতৰ সমস্যাক এৰি দিয়া উচিত।

এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া যি ভিন্ন ভিন্ন জাতি হয় এই বিষয়ে (বাধা হৈ থিয় হোৱা) কোনো বিনম্ৰতাৰ পৰিচয় নহয়। খোদা তা'লাই কেৱল চিনিবৰ বাবে এই জাতিসমূহ বনাইছে। খোদাভীতি সকলৰ পৰিচয় এয়া নহয় যে জাতিসমূহক লৈ বিবাদ কৰি থাকিব। যেতিয়া আল্লাই সিদ্ধান্ত কৰি দিছে যে মোৰ দৃষ্টিত জাতিবোৰৰ কোনো ছনদ (ছাৰ্টিফিকেট) নাথাকে। প্ৰকৃত সন্মান আৰু মহানতা কেৱল খোদা ভীতিৰ মাজতেই নিহিত। সেই কাৰণে এই বস্তুবোৰক লৈ ধৰি থকা ঠিক নহয়।

আল্লাহ তা'লা আমাৰ সকলোকে তাকৱা (খোদা ভীতি)ৰ ওপৰত প্ৰতিষ্ঠিত থকাৰ সৌভাগ্য প্ৰদান কৰক। সন্তান সকলৰ ৰিস্তা কৰোৱাৰ সৌভাগ্য প্ৰদান কৰক আৰু কোৰাণী নিৰ্দেশাৱলী অনুযায়ী মাউৰা,বিধৱাসকলৰ ৰিস্তা কৰোৱাৰ জমাতৰ ব্যৱস্থাপনাক আৰু সমাজকো সৌভাগ্য প্ৰদান কৰক; আৰু সকলোবিলাক ল'ৰা ছোৱালী যিসকলৰ পিতৃ-মাতৃয়ে অস্থিৰতা অৱস্থাত আছে সিহঁতৰ সকলোৰে অস্থিৰতা আঁতৰ কৰক। আমীন-

**অৰ্থাৎ যদি অন্ধকাৰৰ পৰা ওলাব বিচৰা আৰু পোহৰ অৰ্জন কৰিব বিচৰা আৰু যুগৰ ইমামৰ বয়াতৰ সঠিক অধিকাৰ আদায় কৰিব বিচৰা তেন্তে পাৰ্থিৱতাক এৰি দিব লাগিব আৰু নিজৰ ভিতৰত পৱিত্ৰ পৰিৱৰ্তন আনিব লাগিব।**

আনন্দ আৰু দুঃখ মানুহৰ সৈতে সংলগ্ন থাকে আৰু উভয় এনেকুৱা বস্তু য'ত কিছু সীমাবদ্ধতা আছে।

মেন্দীৰ প্ৰথা আৰু প্ৰয়োজনতকৈ অধিক খৰচ কৰা আৰু বৃহৎ আকাৰে নিমন্ত্ৰণ কৰাৰ পৰা ৰক্ষা পোৱা উচিত।

বিয়া-বাৰুত সীমা অতিক্ৰম কৰি যোৱা আৰু প্ৰদৰ্শনকামিতা আৰু নিজৰ মহানতা আৰু প্ৰয়োজনতকৈ অধিক খৰচ কৰা উচিত নহয়; কিছুমান লোকসকলে প্ৰয়োজনতকৈ অধিক পৰিমাণে খৰচ কৰাৰ প্ৰথাসমূহৰ চিকাৰত আবদ্ধ। এতিয়া মই মুকলি ভাৱে কৈ আছো যে এই অযথা প্ৰথাৰ অনুসৰণ নকৰিব আৰু সেয়া বন্ধ কৰক।

( ছৈয়দিনা হজৰত আমিৰুল মোমিনিন হজৰত মিৰ্জা মছৰুৰ আহমদ খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৫ জানুৱাৰী ২০১০ চনত ১৫ ছুলাহ ১৩৮৯ হিজৰী শ্বামছিত মছজিদ বায়তুল ফুতুহ,লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবা

أشهد أن لا إله إلا الله وحده لا شريك له وأشهد أن محمداً عبده ورسوله-

أما بعد فأعوذ بالله من الشيطان الرجيم- بسم الله الرحمٰن الرحيم-

الحمد لله رب العٰلمين- الرحمٰن الرحيم- مٰلك يوم الدين- إياك نعبد وإياك نستعين-

اهدنا الصراط المستقيم- صراط الذين أنعمت عليهم غير المغضوب عليهم ولا الضالين-

فَاٰمِنُوۡا بِاللّٰہِ وَرَسُوۡلِہٖ وَالنُّوۡرِ الَّذِیۡۤ اَنۡزَلۡنَا ؕ وَاللّٰہُ بِمَا تَعۡمَلُوۡنَ خَبِیۡرٌ (التغابن:9)

**অনুবাদ ঃ** গতিকে আল্লাহ আৰু তেওঁৰ পয়গম্বৰত আৰু আমি নমাই পঠোৱা আধ্যাত্মিক দীপ্তিত বিশ্বাস আনাহঁক। আৰু আল্লাহ তোমালোকৰ সকলো কাৰ্য-কলাপৰ বিষয়ে অৱগত। (চুৰা তাগাবুন আয়াত ৯)

আল্লাহ তা'লাৰ নিজৰ ভৃত্যৰ প্ৰতি বহু ডাঙৰ অনুগ্ৰহ হয় যে মানুহক উত্তম স্ৰষ্টা বনাই এনেকুৱা মস্তিষ্ক প্ৰদান কৰিছে যাৰ জৰিয়তে তেওঁ খোদা তা'লাৰ সৃষ্টি কৰা সকলোবোৰ স্ৰষ্টা আৰু প্ৰত্যেক বস্তুক, নে কেৱল নিজৰ অধীন কৰি লয় অৰ্থাৎ তাৰ পৰা উত্তম ৰূপত লাভবান হয় আৰু প্ৰত্যেক নতুন দিন মানুহৰ মস্তিষ্কৰ দ্বাৰা সিহঁতৰ দক্ষতা অনুযায়ী নতুন নতুন বস্তুৰ আৱিষ্কাৰ সন্মুখলৈ আনি আছে। যি দুনিয়াৰ উন্নতি আজি হৈ আছে আজিৰ পৰা দহ বছৰ পূৰ্বত নাছিল,যি উন্নতি আজিৰ পৰা দহ বছৰ আগতে আছিল সেই উন্নতি ২০ বছৰ আগতে নাছিল। এইদৰে যদি পিছুৱাই যাওঁ তেতিয়া আজিৰ নতুন নতুন আৱিষ্কাৰৰ গুৰুত্ব আৰু মানুহৰ মস্তিষ্কৰ দক্ষতাক জানিব পৰা যায়। কিন্তু এই উন্নতি যি উপাদানৰ ৰূপত মানুহে কৰি আছে এয়া তেওঁৰ জীৱনৰ উদ্দেশ্য হয় নে ? প্ৰত্যেক যুগৰ মানুহে এয়া ভাৱে যে মোৰ এই উন্নতি আৰু মোৰ এই শক্তি,মোৰ এই স্থান,মোৰ পাৰ্থিৱ ৰক্তাত্মত মগ্ন,মোৰ এই সম্পত্তিৰ দ্বাৰা নিজতকৈ নিম্ন শ্ৰেণীৰ ওপৰত গৰ্ব প্ৰকাশ কৰা,নিজৰ সম্পত্তিক নিজৰ প্ৰবৃত্তিৰ তৃপ্তিৰ মাধ্যম বনোৱা,নিজৰ শক্তিৰে আনক অধীন কৰি লোৱা জীৱনৰ উদ্দেশ্য নহয়; বা সাধাৰণ মানুহ যাৰ ওচৰত সম্পত্তি নাই তেওঁয়ো এয়াই বুজে। আজি কালিৰ যুৱক যিসকলৰ ধৰ্মৰ প্ৰতি আগ্ৰহ নাই দুনিয়াৰ প্ৰতি আকৃষ্ট হৈছে সিহঁতে এয়াই ভাৱে যে নতুন নতুন আৱিষ্কাৰ যি আছে,টি,ভি,ইণ্টাৰনেট এইবোৰ বস্তুৰে প্ৰকৃততে আমাৰ উন্নতিৰ মাধ্যম হয় বহুতেই এই বস্তুবোৰৰ পৰা প্ৰভান্বিত হৈ পৰে। অৰ্থাৎ এয়া অতিশয় ভুল ধাৰণা হয়। এই ধাৰণাই বৃহৎ আকাৰত হস্তক্ষেপ সৃষ্টি কৰিছে,এই ধাৰণাই বহু ডাঙৰ অত্যাচাৰীৰ সৃষ্টি কৰিছে। এই ধাৰণাই মানুহক বিলাসিকাত লিপ্ত হোৱাক সৃষ্টি কৰিছে। এই ধাৰণাই প্ৰত্যেক যুগত ফিৰাউন সৃষ্টি কৰিছে যে

আমাৰ মাজত শক্তি আছে; আমাৰ মাজত সম্পত্তি আছে,আমাৰ মান আৰু মৰ্যাদা আছে। কিন্তু এই ধাৰণাসমূহৰ খোদা তা'লা যিজনা বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিপালক হয়, যিজনা বিশ্বৰ সৃষ্টিকৰ্তা হয় বৰ প্ৰবলতাৰ সৈতে নিষেধ কৰিছে। কৈছে যি বস্তুবোৰক তুমি নিজৰ জীৱনৰ উদ্দেশ্য বুলি ভৱা এয়া তোমাৰ জীৱনৰ উদ্দেশ্য নহয়। তোমাক এই কাৰণে সৃজন কৰা হোৱা নাই যে তুমি এই পাৰ্থিৱ উপাদানসমূহৰ পৰা উপকৃত হৈ দুনিয়াৰ পৰা বিদায় লোৱা। নহয় ! আল্লাহ তা'লাই কৈছে-

وَمَا خَلَقْتُ الْجِنَّ وَالْإِنْسَ اِلَّا لِيَعْبُدُوْنِ (الذاريات:57)

**অনুবাদ ঃ** মই জিন আৰু মানুহক এই কাৰণে সৃজন কৰিছোঁ যাতে সিহঁতে মোৰ উপাসনা কৰে। (চুৰা আজজাৰিয়াত আয়াত ৫৭)

**এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে**

মানুহৰ মূল উদ্দেশ্য এয়া যে নিজৰ প্ৰভুক চিনাক্ত কৰা আৰু সেইজনাৰ অনুসৰণ কৰা যেনেকুৱা আল্লাহ তা'লাই কৈছে-

مَا خَلَقْتُ الْجِنَّ وَالْإِنْسَ اِلَّا لِيَعْبُدُوْنِ

মই জিন আৰু মানুহক এই কাৰণেই সৃষ্টি কৰিছোঁ যাতে সিহঁতে মোৰ উপাসনা কৰে। কিন্তু পৰিতাপৰ বিষয় এয়া যে বেছিৰ ভাগ মানুহ যিসকলে পৃথিৱীত আহে আৰু যুৱক হোৱাৰ পিছত নিজৰ জীৱনৰ উদ্দেশ্যক পাহৰি গৈ খোদা তা'লাক এৰি দুনিয়াৰ ফালে আকৃষ্ট হয় আৰু পাৰ্থিৱ বস্তু আৰু তাৰ সন্মানৰ প্ৰতি ইমান হৃদয়ঙ্গম হয় যে য'ত খোদাৰ প্ৰতি আকৰ্ষণ বহু কম পৰিমাণে থাকি যায় আৰু বহু সংখ্যক লোকসকলৰ হৃদয়ত (খোদাৰ প্ৰতি প্ৰেম) নাথাকেই। সিহঁতে দুনিয়াত মগ্ন হৈ তাতেই বিলীন হৈ যায়। সিহঁতৰ খবৰেই নাথাকে যে খোদা বুলি কোনো অস্তিত্ব আছে। (মলফুজাত জিলদ চতুৰ্থ পৃঃ ১৩৪,নতুন এডিশন)

এই কথাৰ ফালে পথ-প্ৰদৰ্শন কৰাৰ বাবে নিজৰ জীৱনৰ উদ্দেশ্যক কেনেকৈ প্ৰাপ্ত কৰিব আৰু সেইজনাৰ উপাসনা কি পদ্ধতিত কৰিব পাৰে।

আল্লাহ তা'লাই দুনিয়াত নবীসকলক প্ৰেৰণ কৰে যাতে নিজৰ জাতিবোৰক খোদা তা'লাৰ উপাসনাৰ পদ্ধতিসমূহ আৰু জীৱনৰ উদ্দেশ্যক প্ৰাপ্ত কৰাৰ বাবে পথ প্ৰদৰ্শন হৈ থাকে; আকৌ যেতিয়া মানুহে নিজৰ প্ৰত্যেক ধৰণৰ পয়গামক বুজাৰ যোগ্য হৈ পৰে আৰু সিহঁতৰ মস্তিষ্ক সেই মৰ্যাদালৈ গৈ পায় যেতিয়া সিহঁতে উপাসনাৰ উন্নত পৰ্যায়ক বুজিব পাৰে আৰু সিহঁতৰ পাৰ্থিৱ জ্ঞান অৰ্জন হৈ উন্নতিৰ নতুন বাট মুকলি হৈ পৰে; আৰু পৰস্পৰৰ প্ৰতি ভালপোৱা সমাজত বিস্তৃত হৈ পৰে। তেতিয়া পৰিপূৰ্ণ মানৱ আৰু খাতামুল আম্বিয়া হজৰত মহম্মদ মুচতাফা (ছাঃ)ক সেই শেষ চৰিয়তৰ সৈতে আল্লাহ তা'লাই প্ৰেৰণ কৰিছে যিয়ে আল্লাহ তা'লাৰ পৰা আদেশ পাই এয়া ঘোষণা কৰিছে যে,

اَلۡیَوۡمَ اَکۡمَلۡتُ لَکُمۡ دِیۡنَکُمۡ وَ اَتۡمَمۡتُ عَلَیۡکُمۡ نِعۡمَتِیۡ وَ رَضِیۡتُ لَکُمُ الۡاِسۡلَامَ دِیۡنًا ـ(المائده:4)

**অনুবাদ ঃ** আজিৰ দিনা মই তোমালোকৰ নিমিত্তে তোমালোকৰ ধৰ্ম সম্পূৰ্ণ কৰিলোঁ আৰু তোমালোকৰ প্ৰতি মোৰ অনুগ্ৰহ সমাপন কৰিলোঁ আৰু ইছলামকেই তোমালোকৰ ধৰ্ম মনোনীত কৰিলোঁ। (চুৰা মাইদা আয়াত ৪)

কোৰাণ কৰিমত যাৰ নিমিত্তে ধৰ্মক পৰিপূৰ্ণ কৰিছে আল্লাহ তা'লাৰ নৈকট্য প্ৰাপ্ত কৰাৰ পদ্ধতিৰ বিষয়ে কোৱা হৈছে। উপাসনাৰ উৰ্দ্ধ মৰ্যাদাক প্ৰাপ্ত কৰাৰ পদ্ধতি বয়ান কৰিছে। সমাজৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ পদ্ধতি বয়ান কৰা হৈছে। শত্ৰুৰ সৈতে আচৰণৰ পদ্ধতি বয়ান কৰা হৈছে। সমাজত দুৰ্বল শ্ৰেণীৰ লোকসকলৰ অধিকাৰ আদায় কৰাৰ পদ্ধতি বয়ান কৰা হৈছে। মহিলাসকলৰ অধিকাৰ আদায় কৰাৰ পদ্ধতিসমূহ বৰ্ণনা কৰা হৈছে। ভৱিষ্যতত আহিবলগীয়া নতুন আৱিষ্কাৰসমূহৰ বিষয়ে আৰু তাৰ পৰা উপকৃত হোৱাৰ বিষয়ে বয়ান কৰিছে। ভূমি আৰু আকাশত যিবোৰ আছে সেই বিষয়ে মানুহৰ জ্ঞান যিমানলৈকে গৈ পাব পাৰে সেইবোৰ বুজোৱাৰ বিষয়েও পথ নিৰ্দেশক হৈছে। প্ৰত্যেক সেই বস্তুৰ বৰ্ণনা কৰিছে যিমান দূৰলৈকে আজিৰ মানুহৰ জ্ঞান পৌচাই আছে আৰু ভৱিষ্যতত উত্থাপন হ'বলগীয়া কথাসমূহৰ

বিষয়েও বয়ান কৰি দিছে যাৰ বিষয়ে আজি ১৪০০ বছৰ পূৰ্বে মানুহে বুজিব নোৱাৰিছিল তাৰ পূৰ্বৰ মানুহে একেবাৰেই বুজিব নোৱাৰিছিল। গতিকে এতিয়া এই কথাসমূহ কোৰাণ কৰিমত বয়ান কৰা হৈছে যাক এজন সাধাৰণ মোমিন মুছলমানে বুজিব নোৱাৰিছিল। কিন্তু এই সকলোবোৰ কথাসমূহক পৰিপূৰ্ণ মানৱ আৰু হজৰত খাতামুল আম্বিয়া (ছাঃ)ৰ যিসকল জ্ঞানী লোক আছিল তেতিয়াই বুজিব পাৰিছিল। অৰ্থাৎ তেখেত এজন এনেকুৱা সম্পূৰ্ণ জ্যোতি আছিল যি আল্লাহৰ জ্যোতিৰে পৰিপূৰ্ণ আছিল আৰু যিয়ে নিজৰ চাহাবাসকলৰ মাজত সিহঁতৰ সামৰ্থ অনুযায়ী সেই জ্যোতি সোমাই দিছিল। সিহঁতক উপাসনাৰ পদ্ধতিসমূহ শিকোৱাইছিল। সিহঁতক উপসানৰ উৰ্দ্ধমূলক মৰ্যাদা প্ৰাপ্ত কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰোৱাইছিল। সিহঁতক নিজৰ জীৱনৰ উদ্দেশ্যসমূহক বুজোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰোৱাইছিল। সিহঁতে আঁ-হজৰত (ছাঃ)ৰ পৰা সেই জ্যোতি অৰ্জন কৰি চাহাবাসকলে নিজৰ সামৰ্থ অনুযায়ী সেই জেউতিক আগলৈ বিস্তাৰ কৰা আৰম্ভ কৰিছিল আৰু সেই প্ৰদীপৰ পৰা পোহৰ আলোকিত হৈছে; যি কথাসমূহ সেই সময়ত সাধাৰণ মানুহৰ বুজনিত নাছিল,এই বিষয়েও কৈ দিছে যে এই পৰিপূৰ্ণ গ্ৰন্থৰ পৰা কিয়ামতলৈকে এতিয়া প্ৰদীপৰ পোহৰ আলোকিত হৈ থাকিব আৰু পৰৱৰ্তী যুগত আল্লাহৰ ভৃত্যসকলে এই এহছানক দেখিব পাৰিব। পাৰ্থিৱ অৰ্জন কৰা সকলে কেৱল পাৰ্থিৱ জগতৰ দৃষ্টিত দেখি থাকিব; কিন্তু এজন সত্য মোমিন নিজৰ জীৱনৰ উদ্দেশ্যৰ অধিকাৰ পালন কৰি সেইবোৰক এই দৃষ্টিৰে চাব যে খোদা তা'লাৰ ভৱিষ্যদ্বাণী অনুসৰি আজিয়েই এই বস্তুবোৰ সৃষ্টি হৈছে। মোমিনসকলৰ দৃষ্টি কেৱল এই আৱিষ্কাৰ কৰা বস্তু আৰু পাৰ্থিৱ লাভালাভলৈকে সীমাবদ্ধ নাথাকে; সিহঁতে নিজৰ জীৱনৰ উদ্দেশ্যক বুজি পাই সেই সত্য পোহৰৰ পৰা লাভবান হোৱাৰ চেষ্টা কৰি থাকে যি আল্লাহৰ সকলোতকৈ প্ৰিয় নবী আৰু শ্ৰেষ্ঠ ৰছুল (ছাঃ)য়ে লৈ আনিছিল। যিদৰে পথভ্ৰষ্টতাৰ অন্ধকাৰত নিপতিত হৈ দিশসাৰা হোৱা লোকসকলে আজিৰ পৰা ১৪০০ শ বছৰ পূৰ্বত সেই নবীৰ জ্যোতিৰ পৰা লাভবান হৈছিল আৰু প্ৰত্যেক ময়দানত উৰ্দ্ধমূলক মৰ্যাদালৈ গৈ পাইছিল। এইদৰে এতিয়াৰ পৰা কিয়ামতলৈকে যিয়ে ৰছুল আৰু সেই পৰিপূৰ্ণ চৰিয়তৰ

পৰা বিশুদ্ধ সম্পৰ্ক গঢ়িব,অন্ধকাৰৰ পৰা পোহৰলৈ ওলাই থাকিব তেতিয়াহে দুনিয়া আৰু আখিৰতত আল্লাহ তা'লাৰ বেহেস্তৰ উত্তৰাধিকাৰী হ'ব পৰিব।

আল্লাহ তা'লাই এঠাইত এয়া উল্লেখ কৰি চুৰা তালাক আয়াত ১২ ত কৈছে-

رَسُوْلًا يَّتْلُوْا عَلَيْكُمْ اٰيٰتِ اللّٰهِ مُبَيِّنٰتٍ لِّيُخْرِجَ الَّذِيْنَ اٰمَنُوْا وَعَمِلُوا الصّٰلِحٰتِ مِنَ الظُّلُمٰتِ اِلَى النُّوْرِ ؕ وَمَنْ يُّؤْمِنْۢ بِاللّٰهِ وَيَعْمَلْ صَالِحًا يُّدْخِلْهُ جَنّٰتٍ تَجْرِيْ مِنْ تَحْتِهَا الْاَنْهٰرُ خٰلِدِيْنَ فِيْهَاۤ اَبَدًا قَدْ اَحْسَنَ اللّٰهُ لَهٗ رِزْقًا ﴿۱۲﴾

(65:12)

**অনুবাদ ঃ** এজন পয়গম্বৰ যিয়ে তোমালোকলৈ আল্লাহৰ স্পষ্ট নিদৰ্শনসমূহ আবৃত্তি কৰে যাতে তেওঁ বিশ্বাস কৰা আৰু সৎ কাম কৰা সকলক প্ৰত্যেক ধৰণৰ অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে। আৰু যিয়েই আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰে আৰু সৎ কামত লিপ্ত থাকে- সেইজনাই চিৰকালৰ বাবে বসবাস কৰিবৰ কাৰণে বহু নিজৰা প্ৰবাহ কৰা উদ্যান সমূহত প্ৰৱেশ কৰোৱাব। আল্লাই বাস্তৱতে তেওঁৰ কাৰণে অতিশয় ভাল সংস্থান যোগাইছে।

(চুৰা আত-তালাক আয়াত ১২)

যদি আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব বিচৰা তেন্তে আঁ-হজৰত (ছাঃ)ৰ আদৰ্শ আৰু তেখেত (ছাঃ)ৰ অৱতীৰ্ণ হোৱা শিক্ষাক বাধ্যতামূলক

কৰি ল'ব লাগিব। সেই শিক্ষাসমূহক বাধ্যতামূলক কৰি লোৱা আৰু তেখেত (ছাঃ)ৰ আদৰ্শৰ ওপৰত পৰিচালিত হোৱাৰ চেষ্টাই অন্ধকাৰৰ পৰা উলিয়াই পোহৰৰ ফালে লৈ আনি আল্লাহ তা'লাৰ সন্তুষ্টি লাভ হোৱাৰ মাধ্যম হ'ব। এই পোহৰৰ ভাগীদাৰী হোৱাৰ বাবে আল্লাহ তা'লাই ঈমানৰ সৈতে সজ কাম কৰাৰ চৰ্ত ৰাখিছে। কেৱল ঈমান অনাই যথেষ্ট নহয়। এজন মোমিন সজ কাম কৰাৰ প্ৰতি বেছি মনোযোগ দিয়াৰ প্ৰয়োজন আছে। অবাধ্যতা আৰু অনৈতিকতাৰ পৰা বচাৰ চেষ্টা হোৱা প্ৰয়োজন আছে। যি আয়াত মই প্ৰথমে তিলাওত কৰিছিলোঁ তাত আল্লাহ তা'লাই স্পষ্ট ৰূপত কৈ দিছে যে আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰা,তাৰ ৰছুলৰ ওপৰত বিশ্বাস স্থাপন কৰা আৰু কোৰাণ কৰিমৰ ওপৰত বিশ্বাস স্থাপন কৰাজনেই পোহৰৰ ভাগীদাৰী হ'ব পাৰিব; বেহেস্তৰ উত্তৰাধিকাৰী হ'ব পাৰিব। আল্লাহ তা'লাই মানুহৰ প্ৰত্যেক কামৰ বিষয়ে অৱগত। সেইজনাৰ জ্ঞানত আছে যে মানুহৰ কোনটো কাম আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কৰি আছে। ৰছুলৰ আদৰ্শ আৰু শিক্ষাৰ ওপৰত কি পৰিমাণে কাৰ্যকৰী হোৱাৰ চেষ্টা কৰি আছে। ঈমানৰ দাবী হৃদয়ৰ সৈতে, নে কেৱল মুখৰ দাবী। গতিকে আল্লাহ তা'লাই যি মানুহৰ ওপৰত অনুগ্ৰহ প্ৰদান কৰিছে যে এজন এনেকুৱা নবীক প্ৰেৰণ কৰিছে যে যাৰ শিক্ষাৰ ওপৰত কাৰ্যকৰী হৈ দুনিয়া আৰু আখিৰাতত মানুহৰ জীৱনৰ উৎসস্থল হ'ব পাৰে। গতিকে সেই লোকসকল যিসকলে মোমিন হোৱাৰ দাবী কৰে সিহঁতৰ বাবে কিমান ফৰজ হৈ পৰে যে নিজৰ ওপৰত এই শিক্ষাক বলৱৎ কৰিব যি পৰিপূৰ্ণ শিক্ষা হয়। তাৰ পিছত আল্লাহ তা'লাৰ অনুগ্ৰহৰাজিক চাব যে (الجمعة:4) وَآخَرِينَ مِنْهُمْ ৰ সংবাদ দি এই সন্তুষ্টিও প্ৰদান কৰিছে যে আঁ-হজৰত (ছাঃ) আৰু কোৰাণ কৰিমৰ ফয়জান যি ফয়জানে নুৰ হয় অব্যাহত আছে। অন্ধকাৰ যুগৰ পিছত আঁ-হজৰত (ছাঃ)ৰ সত্য প্ৰেমীক আৰু তেখেত (ছাঃ)ৰ পোহৰৰ পৰা সকলোতকৈ বেছি ভাগীদাৰী হ'বলগীয়া যি ইমাম আৰু মছীহ ও মাহদী আগমনকাৰী তেখেতৰ জৰিয়তে আকৌ অন্ধকাৰৰ পৰা পোহৰৰ ফালে পথ প্ৰদৰ্শক হ'ব। আগমনকাৰী মছীহ মাওউদ আৰু মাহদী মাওউদে আকৌ উম্মতক আৰু বাকী দুনিয়াক অন্ধকাৰত ডুবি যোৱা বিশ্বাসৰ

পৰা উলিয়াব লাগিব যিসকলে সেই অন্ধকাৰৰ সৈতে লিপ্ত হৈ আছে। যিসকলে সেইজনাক গ্ৰহণ কৰিব,যিসকলে সেইজনাৰ সৈতে সঠিক সম্পৰ্ক গঢ়ি তুলিব, যিসকলে দুনিয়াৰ অযথাসমূহৰ পৰা আঁতৰত থাকি সেইজনাৰ সৈতে কৰা অঙ্গীকাৰ পূৰ্ণ কৰিব; তেতিয়া তেওঁ আল্লাহ তা'লাৰ ফজলক অৰ্জন কৰি বেহেস্তৰ শুভ সংবাদ শুনিবলৈ পাব।

অৰ্থাৎ এজন আহমদীক য'ত এই কথাই সন্তুষ্টি কৰে তাতে চিন্তা-ভাৱনাও হয়,আৰু নিজৰ পৰ্যালোচনা লোৱাৰ প্ৰয়োজন আছে। এই জ্যোতিৰ পৰা লাভবান হোৱাৰ বাবে আল্লাহ তা'লাই কৈছে

يُؤْمِنْ بِاللّٰهِ وَيَعْمَلْ صَالِحًا(التغابن:10)

চৰ্ত ৰখা হৈছে যে আল্লাহৰও ওপৰত ঈমান অনাৰ সৈতে পুণ্য কাৰ্য কৰাও জৰুৰী হয়। গতিকে সদায় নিজৰ দৃষ্টিৰ সন্মুখত এই কথাসমূহ ৰখা উচিত যে কোনটো কাম পুণ্য হয় আৰু কোনটো কাম পুণ্য নহয়। কিছুমান বাহ্যিক ৰূপত সৰু সৰু কথা হয়- উদাহৰণস্বৰূপ আনন্দ; এয়াও দেখা উচিত যে আনন্দিত হোৱাৰ বিষয়ে আমাৰ সীমাবদ্ধতা কি আৰু দুঃখিত হোৱাত আমাৰ সীমাবদ্ধতা কি ? আনন্দ আৰু দুঃখ এই দুয়োটা বস্তু মানুহৰ জীৱনৰ সৈতে সংলগ্ন; এই উভয় বস্তু এনেকুৱা য'ত কিছু সীমাবদ্ধতা ৰাখি দিছে।

আজিকালি দেখিবলৈ পোৱা যায় আনন্দৰ সময়ত যুগৰ অধীনত থকা কিছু প্ৰভাৱে ভিন্ন প্ৰকাৰৰ বিদা'ত (অগ্ৰহণীয় নিয়ম-নীতি) আৰু লঘু বাট দেখিবলৈ পোৱা যায় আৰু দুঃখৰ সময়ত ভিন্ন প্ৰক্ৰিয়াৰ বিদা'ত আৰু প্ৰথাসমূহৰ চিকাৰত আবদ্ধ হৈ পৰে। কিন্তু এজন আহমদীয়ে এইবোৰ কথাসমূহৰ প্ৰতি চিন্তা-ভাৱনাৰ প্ৰয়োজন আছে যে যি কাম তেওঁ কৰি আছে তাৰ পৰা কোনো নহয় কোনো ৰূপত উপকৃত হোৱা দৃশ্য দেখিবলৈ যেন পোৱা যায়; আৰু প্ৰত্যেক কাম এই কাৰণে কৰা উচিত যে আল্লাহ আৰু ৰছুলে কৰিম (ছাঃ)য়ে যি সীমাবদ্ধতা প্ৰতিষ্ঠিত কৰিছে তাৰ ভিতৰতেই থাকি কাম কৰা উচিত।

মই আনন্দ আৰু দুঃখৰ বিষয়ে যি উল্লেখ কৰিছোঁ,তাৰ মাজত আনন্দ যি বহু ডাঙৰ আনন্দ বুলি ধাৰণা কৰা হয় সেয়া হ'ল বিয়াৰ আনন্দ আৰু এয়া ফৰজ হয়। যেতিয়া কিছুমান চাহাবা সকলে কৈছিল যে আমি খোদা তা'লাৰ

উপাসনাৰ খাতিৰত নিজৰ জীৱন অকলশৰীয়া ভাৱে কটাম,বিয়া নাপাতিম, তেতিয়া আঁ-হজৰত (ছাঃ)য়ে সেয়া ঠিক নহয় বুলি ভাৱি কৈছে যে নেকী সেয়াই হয় যিসকলে মোৰ ছুন্নতৰ ওপৰত কাৰ্যকৰী হয় আৰু মোৰ শিক্ষা মতে পৰিচালিত হয়। মইতো বিয়াও পাতিছো,ৰোজাও ৰাখো,উপাসনাও কৰো। (বুখাৰী কিতাবুন নিকাহ,বাব আত-তাৰগিব ফিন নিকাহ হাদীছ নম্বৰ ৫০৬৩)

আৰু তেখেত (ছাঃ)ৰ উপাসনাৰ যি মৰ্যাদা আছিল সেয়া কল্পনাৰ বাহিৰে। গতিকে এয়া মুছলমানসকলৰ বাবে ফৰজ হয় যে যদি কোনো বাধা নাই,কোনো কাৰণ বশতঃ নহয় তেন্তে নিশ্চয় বিয়া পাতিব। কিন্তু ইয়াৰ মাজত কিছুমান প্ৰথা বিশেষ কৰি পাকিস্তানত আৰু হিন্দুস্থানৰ পৰিৱেশত সোমাই গৈছে যাৰ সম্পৰ্ক ইছলামৰ শিক্ষাৰ সৈতে নহয়।

কিছুমান প্ৰথাক পালন কৰাৰ বাবে বহু পৰিমাণে খৰচ কৰা হয় কিছুমান সমাজত এই প্ৰথাক বৰ আনন্দৰ সৈতে পালন কৰে আৰু এয়া ধাৰণা কৰে যে সম্ভৱত এইবোৰ বিয়াৰ ফৰজসমূহৰ অন্তৰ্ভুক্ত; সেই কাৰণে সেয়া অবিহনে বিয়া হ'বই নোৱাৰে।

মেন্দীৰ এক প্ৰথা। ইয়াকো বিয়াত বৰ গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত নিমন্ত্ৰণ কৰা হয়,কাৰ্ড ছপোৱা হয়,ষ্টেজ তৈয়াৰ কৰা হয়,কেৱল ইমানেই নহয় কেইবাদিনলৈকে নিমন্ত্ৰণৰ শৃঙ্খলা অব্যাহত থাকে আৰু এয়া বিয়াৰ পূৰ্বৰেই পৰা জাৰি ৰাখে। কেতিয়াবা কেইবা সপ্তাহ আগৰে পৰাই অব্যাহত ৰাখে। প্ৰত্যেক দিন নতুন নতুন ষ্টেজ তৈয়াৰ কৰা হয়;এই কথাসমূহৰ বিষয়েও আলোচনা-বিলোচনা হৈ থাকে যে আজি ইমান খাদ্য তৈয়াৰ হৈছে আজি ইমান খাদ্য তৈয়াৰ হৈছে। এইবোৰ প্ৰথাসমূহ যিসকলে সামৰ্থ নথকাজনেই কৰিবলগীয়া হৈছে,এনেকুৱা লোকসকলৰ বাবে ফৰজৰ বোজা নিম্নলৈ দমন হৈ যায়। অআহমদীসকলে এয়া কৰিছিল কিন্তু কিছুমান আহমদীসকলৰ ঘৰতো বহু পৰিমাণে লঘু আৰু অযথা প্ৰথাসমূহৰ ওপৰত আমল হৈ আছে, কিছুমান বংশধৰসকলে ইয়াত আবদ্ধ হৈ পৰিছে। যুগৰ ইমামৰ কথা মান্য কৰা আৰু সেই প্ৰথাসমূহৰ পৰা ৰক্ষা পোৱাৰ পৰিৱৰ্তে সমাজৰ অনুসাৰী হৈ তাতে লিপ্ত হৈ আছে।

কেইমাহ পূৰ্বতে মই এই ফালে মনোযোগ আকৰ্ষণ কৰোৱাইছিলোঁ যে মেন্দীৰ প্ৰথাৰ ওপৰত প্ৰয়োজনতকৈ অধিক খৰচ কৰা আৰু বিশাল আকাৰত নিমন্ত্ৰণৰ পৰা ৰক্ষা পোৱা উচিত। সেই দিনাখন লণ্ডনত এক আহমদীৰ ঘৰত মেন্দীৰ নিমন্ত্ৰণ আছিল। যেতিয়া সিহঁতে মোৰ খোতবা শুনে সিহঁতে নিমন্ত্ৰণ বাতিল কৰি দিয়ে আৰু ছোৱালীৰ কিছুমান সঙ্গীসকলক মাতি আনি খোৱাই দিয়ে আৰু বাকী যি খাদ্যবোৰ তৈয়াৰ আছিল তাতে বায়তুল ফুতুহত এক (FUNCTION) আছিল তাতে পঠাই দিয়া হ'ল। গতিকে এইসকলে সেই আহমদী যিসকলক মনোযোগ আকৰ্ষণ কৰাৰ লগে লগে কাৰ্যত পৰিণত হৈ ক্ষমাৰ পত্ৰ লিখে।

কিন্তু মোৰ কিছু অভিযোগ পাকিস্তান আৰু ৰাবুৱাৰ পৰা অৰ্জিত হৈছে। কিছুমান লোকসকলে প্ৰয়োজনতকৈ অধিক পৰিমাণে এই প্ৰথাসমূহ পালন কৰে, ৰাবুৱা এখন সৰু চহৰ হয় এই কাৰণেই অতি সোনকালে দৃষ্টিৰ সন্মুখত আহি যায়। এতিয়া মই মুকলি ভাৱে কৈ আছো যে এইবোৰ অযথা প্ৰথাসমূহৰ অনুসাৰী নহৈ সেইবোৰ বন্ধ কৰক।

হজৰত মছীহ মাওউদ (আঃ)য়ে এবাৰ কৈছে যে আমাৰ জাতিৰ মাজত এয়াও এক বেয়া প্ৰথা আছে যে বিয়া-বাৰুত শ শ টকা অযথা খৰচ হয়।

( মজমুৱা ইশ্বতিহাৰাত জিলদ প্ৰথম পৃঃ ৭০)

আজিৰ পৰা এশ বছৰ পূৰ্বে বা তাতকৈ অধিক আগৰ যুগত শ টকাৰ খৰচও বহু ডাঙৰ খৰচ আছিল। কিন্তু আজিকালি শ টকা কি লাখ টকাও খৰচ হয় আৰু নিজৰ সামৰ্থৰ বাহিৰেই খৰচ হয়। যি বিয়া এই যুগত শ শ টকাতকৈ অধিক পৰিমাণে হৈ আছে। অৰ্থাৎ এয়াও কৈছে যে আতচ্‌বাজী ইত্যাদিসমূহ অবৈধ। (মলফুজাত জিলদ পঞ্চম পৃঃ ৪৯ জদিদ এডিশন)

বিয়া-বাৰুত আতচ্‌বাজী কৰা হয়। এতিয়া মানুহে ঘৰত বিয়াৰ দিনবোৰতে প্ৰদীপসমূহ জ্বলায় আৰু সেয়া প্ৰয়োজনতকৈ অধিক পৰিমাণে কৰে। এফালে পাকিস্তানত চাৰিওফালে এই চিঞৰ-বাখৰ যে ইয়ালৈ অহা প্ৰত্যেক জনেই কয়,পত্ৰিকাসমূহত এয়া দেখিবলৈ পোৱা যায় যে বিদ্যুতৰ নাটনি। কেইবা ঘণ্টালৈকে লুডছেটিং হয়। মূল্য বৃদ্ধিয়ে ককাল ভাঙি পেলাইছে। আৰু

আনফালে কিছুমান ঘৰত প্ৰয়োজনতকৈ অধিক খৰচ কৰি নে কেৱল ৰাষ্ট্ৰৰ বাবে ক্ষতিকাৰক হৈছে, অৰ্থাৎ পাপতো লিপ্ত হৈ আছে। এই কাৰণেই পাকিস্তান সাধাৰণতে এই কথাৰ প্ৰতি ধ্যান দিয়ক যে অযথা খৰচ যেন নহয় আৰু বিশেষ কৰি ৰাবুৱা এই কথাৰ প্ৰতি বেছি মনোযোগ দিব। ৰাবুৱাত ৰাষ্ট্ৰপতিৰ এইফালে নিৰীক্ষণ কৰা উচিত যে বিয়াত অযথা খৰচ প্ৰদৰ্শনিয়তা,আৰু নিজৰ মহানতা আৰু বাহ্যিক ৰূপত টকাৰ গৌৰৱ দেখুৱায়; এয়া হোৱা ঠিক নহয়। জমাতৰ ওপৰত আল্লাহৰ বিশেষ কৃপা আছে যে দুঃখৰ সময়ত যি প্ৰথাসমূহ হয় তাৰ পৰা বিৰত আছে। সপ্তম,দশম,চল্লিশৱা এইবোৰ অআহমদীসকলৰ প্ৰথা হয়  যাৰ ওপৰত আমল নকৰে। বেছিৰ ভাগ সময়ত এই প্ৰথাসমূহ ঘৰৰ মানুহৰ ওপৰত বোজা হৈ থিয় হয়। কিন্তু যদি সমাজৰ অধীনত থকা বেয়া প্ৰথাসমূহৰ প্ৰভাৱৰ চিকাৰত লিপ্ত হৈ যায় তেতিয়া অইন ধৰণৰ প্ৰথাসমূহেও তাতে স্থান লৈ লয় তাৰ পিছত আকৌ এই ধৰণৰ কথাসমূহ ইয়াতো প্ৰচলিত হৈ যাব।

গতিকে আহমদীসকলে নিজৰ মৰ্যাদাক বুজি উঠা উচিত যে আল্লাহ তা'লাই সিহঁতৰ ওপৰত অনুগ্ৰহ প্ৰদান কৰি সিহঁতক মছীহ ও মাহদীৰ জমাতত অন্তৰ্ভুক্ত হোৱাৰ সৌভাগ্য প্ৰদান কৰিছে। গতিকে এতিয়া বাধ্যতামূলক যে সঠিক ইছলামী শিক্ষাৰ ওপৰত আমল কৰক। বিয়া-বাৰুৰ ক্ষেত্ৰত ইছলামী শিক্ষাসমূহত যিবোৰ ফৰজসমূহ আছে সেইবোৰ বিয়াৰ এক ফৰজ হয় তাৰ বাবে এক (FUNCTION)  আয়োজন কৰিব পাৰে। সামৰ্থ অনুযায়ী আহাৰৰ যোগান ধৰিব পাৰে। এইটো বাধ্যতামূলক নহয় যে প্ৰত্যেক বাৰাত যি আহিব তাতে অতিথিসকলক মাতি আহাৰৰ যোগান ধৰা হওঁক। যদি দূৰৰ পৰা বাৰাত আহি আছে তেন্তে কেৱল বাৰাতৰ সৈতে অহা সকলৰ বাবে খাদ্যৰ ব্যৱস্থা কৰিব পাৰে। কিন্তু ৰাষ্ট্ৰীয় আইনে যদি বাধা প্ৰদান কৰে তেন্তে তাৰ পৰা বৈ থকা উচিত আৰু এক সীমাবদ্ধতাৰ মাজত থাকি কেৱল নিজৰ ঘৰৰ মানুহবিলাক বা অলপ কেইজন যি বাৰাতত আহিছে সিহঁতৰ বাবে খাদ্যৰ ব্যৱস্থা কৰিব পাৰে। কাৰণ পাকিস্তানত এবাৰ ৰাষ্ট্ৰীয় আইনে প্ৰতিবন্ধক লগাইছিল। বৰ্তমান কেনেকুৱা মই নাজানো কিন্তু প্ৰতিবন্ধক এতিয়াও আছে।

দ্বিতীয় অলিমা হয় যি মূল আদেশ হয় যে নিজৰ আত্মীয়-স্বজনক নিমন্ত্ৰণ কৰা হওঁক। যদি দেখা যায় তেন্তে ইছ্‌লামতেই এনেকুৱা এক আদেশ পোৱা যায়। কিন্তু এয়া জৰুৰী নহয় যে সেয়া সীমাহীন ভাৱে হওঁক;যথা সম্ভৱ যাৰ যিমান সামৰ্থ শক্তি আছে সেই অনুযায়ী মাতি খোৱাব পাৰে।

অৰ্থাৎ যেনেকুৱা মই কৈছো যে আল্লাহ তা'লাই আমাৰ জীৱনৰ উদ্দেশ্যৰ বিষয়ে কৈছে। প্ৰত্যেক সেই কৰ্ম যিবোৰ পুণ্য হয় যি আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে হয় সেয়া ইবাদত (উপাসনা) হৈ যায়। এই বস্তুৰ প্ৰতি মনোযোগ দিয়া জৰুৰী, কাৰণ এনেকুৱা বস্তুৰ মাজতেই আমাৰ জীৱন নিহিত। যাৰ ফলত আমি প্ৰথাসমূহৰ পৰা বাচিব পাৰিম। অযথা খৰচ কৰাৰ পৰা আমি বাচিব পাৰিম,লঘুবোৰৰ পৰাও আমি ৰক্ষা পাম আৰু নিষ্ঠুৰতাৰ পৰাও আমি বাচিব পাৰিম। এই নিষ্ঠুৰতা এক বাহ্যিক নিষ্ঠুৰতা হয়। যি বল প্ৰয়োগ কৰা বাদশাই কৰিয়ে থাকে। কেতিয়াবা কম বুজনিৰ কাৰণে এই ধৰণৰ প্ৰথাসমূহত আৱদ্ধ হৈ নিজৰ প্ৰাণৰ ওপৰত জুলুম কৰি থাকে; তাৰ পিছত সমাজত সেয়া প্ৰথা হিচাপে প্ৰচলিত কৰোৱাই দুখীয়াসকলৰ ওপৰত অত্যাচাৰ কৰি থাকে আৰু ভাৱে যে এই বস্তু সম্ভৱত ফৰজসমূহৰ অন্তৰ্ভুক্ত হৈ গৈছে; আৰু পৰিৱেশত অত্যাচাৰ আৰু অযথাসমূহ আৰু বিদা'ত ইত্যাদি কথাসমূহ হৈ থাকে সেই পৰিৱেশ এজনে আনজনৰ অধিকাৰ ছিন্ন কৰে তাৰ পিছত আকৌ যেনেকুৱা মই কৈছো এজনে আনজনৰ ওপৰত অত্যাচাৰ কৰে। যেতিয়া আমি এই বস্তু বিলাকৰ পৰা আঁতৰত থাকিম, তেতিয়া আন অধিকাৰ ছিন্ন কৰাৰ পৰাও ৰক্ষা পাম। অত্যাচাৰৰ পৰাও আঁতৰত থাকিম আৰু আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনকাৰী হ'ব পাৰিম। আজি আহমদীয়তকৈ উৰ্দ্ধতৰ ধ্বনি পৰিৱেশত কোনে লগায় য'ত আল্লাহ তা'লাৰ সন্তুষ্টি আৰু আনৰ অধিকাৰ প্ৰতিষ্ঠিত হোৱাৰ কথা হৈ থাকে। আজি আহমদীয়তৰ বাহিৰে কোনে এই কথাৰ  অঙ্গীকাৰ কৰিছে যে অযথা প্ৰথাসমূহৰ আৰু প্ৰবৃত্তিৰ অনুসৰণৰ পৰা পৰামুখ হ'ব। আজি আহমদীৰ বাহিৰে কোনে এই কথাৰ অঙ্গীকাৰ কৰে যে কোৰাণ শ্বৰীফৰ আদেশসমূহ পৰিপূৰ্ণ ৰূপত নিজৰ ওপৰত কাৰ্যকৰী কৰিব। আজি আহমদীৰ বাহিৰে কোনে এই কথাৰ অঙ্গীকাৰ কৰে যে আল্লাহ আৰু ৰছুলৰ আদেশসমূহ নিজৰ

ওপৰত কাৰ্যকৰী কৰিব।

গতিকে আহমদীয়েই হয় যিসকলে আল্লাহ আৰু তাৰ ৰছুল আৰু কোৰাণ কৰিমৰ জেউতিৰ পৰা উপকৃত হোৱাৰ বাবে যুগৰ ইমামৰ হাতত এই অঙ্গীকাৰ কৰিছে যে যি বয়াতৰ চৰ্তসমূহৰ অন্তৰ্ভুক্ত; সেই কাৰণে নিজৰ অঙ্গীকাৰ পালন কৰা আৱশ্যকৰণীয়। এই অঙ্গীকাৰৰ বাধ্যবাধকতা হৈ যোৱা আমি বান্ধি ৰখা নাই অৰ্থাৎ চয়তানৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি আছো। খোদা আৰু ৰছুলৰ কথাসমূহৰ ওপৰত কাৰ্যকৰী হৈ আমি সুৰক্ষাৰ বস্তু তৈয়াৰ কৰি আছো। নিজৰ বুজনি আৰু প্ৰবৃত্তিক জ্বলাই দি আছো। নিজৰ সতীত্ব আৰু পৱিত্ৰতা সুৰক্ষা কৰি আছো। নিজৰ লাজৰ মৰ্যাদা উৰ্দ্ধত কৰি আছো। ধৈৰ্য আৰু দৃঢ় বিশ্বাসৰ শক্তি নিজৰ ভিতৰত সৃষ্টি কৰাৰ চেষ্টা কৰি আছো। নিজৰ ভিতৰত তপস্যা আৰু খোদাৰ প্ৰতি ভয় সৃষ্টি কৰাৰ চেষ্টা কৰি আছো। নিজৰ ঈমানক শক্তিশালী কৰাৰ চেষ্টা কৰি আছো। বিশ্বস্ততাৰ অধিকাৰ পালন কৰাৰ চেষ্টা কৰি আছো আৰু আল্লাহৰ প্ৰতি ভয়,আল্লাহৰ প্ৰতি ভালপোৱাৰ ফালে বিশুদ্ধ ৰূপত অৱনত হোৱাৰ মৰ্যাদাক প্ৰাপ্ত কৰাৰ চেষ্টা কৰি আছো; যাতে নিজৰ জীৱনৰ উদ্দেশ্যক প্ৰাপ্ত কৰিব পৰা যায়। যদি অন্ধকাৰৰ পৰা ওলাব বিচৰা আৰু পোহৰ প্ৰাপ্ত কৰিব বিচৰা আৰু যুগৰ ইমামৰ বয়াতৰ সঠিক অধিকাৰ আদায় কৰিব বিচৰা তেন্তে পাৰ্থিৱ জগত এৰিব লাগিব। নিজৰ ভিতৰত পৱিত্ৰ পৰিৱৰ্তন আনিব লাগিব আৰু নিজকে উৰ্দ্ধতমূলক চৰিত্ৰৰ ফালে লৈ যোৱাৰ বাবে চেষ্টা-প্ৰচেষ্টা কৰিব লাগিব।

লাজৰ মৰ্যাদাক উৰ্দ্ধত কৰাৰ বাবে মই উল্লেখ কৰিছোঁ। লাজ এক এনেকুৱা বস্তু যি ঈমানৰ এক অংশ হয়। আজিকালিৰ পাৰ্থিৱ আৱিষ্কাৰসমূহ যেনেকুৱা মই আৰম্ভণীতেও উল্লেখ কৰিছিলোঁ টি,ভি হয়;ইণ্টাৰনেট ইত্যাদি আছে সেইবোৰে লাজৰ মৰ্যাদাৰ ইতিহাসও পৰিৱৰ্তন কৰি দিছে। মুকলি ভাৱে নিৰ্লজ্জ দেখুৱাৰ পিছতো এয়া কয় যে এইবোৰ নিৰ্লজ্জতা নহয়। অৰ্থাৎ এজন আহমদীৰ লজ্জাৰ মান এয়া হোৱা উচিত নহয় যিসকলে টি,ভি আৰু ইণ্টাৰনেটত কোনোবায় দেখে। এয়া লজ্জা নহয় অৰ্থাৎ প্ৰবৃত্তিৰ গ্ৰেপ্তাৰী হয়। বিনা পৰ্দাই কিছুমান বাহ্যিক ৰূপত ভদ্ৰ আহমদীৰ ঘৰতো লজ্জাৰ যি

মৰ্যাদা সেয়া নাইকিয়া কৰি ৰাখিছে। যুগৰ উন্নতিৰ নাম লৈ কিছু এনেকুৱা কথাবোৰ কৈ থাকে,কিছুমান এনেকুৱা আচৰণ কৰি থাকে যি এজন ভদ্ৰ লোকে দেখিব নোৱাৰে, স্বামী স্ত্ৰী হওঁক। কিছু আচাৰ-আচৰণ এনেকুৱা হয় যে যেতিয়া আনৰ সন্মুখত কৰা হয় তেতিয়া সেয়া কেৱল অবৈধই নহয় বৰঞ্চ পাপ হয়। যদি আহমদী পৰিৱেশে নিজৰ ঘৰবোৰ এই অযথাৰ পৰা পৱিত্ৰ নাৰাখে আৰু নিজৰ অঙ্গীকাৰ পালন নকৰে তেন্তে সিহঁতে নিজৰ ঈমানকও বিনষ্ট কৰে যি অঙ্গীকাৰ সিহঁতে এই যুগত যুগৰ ইমামৰ হাতত কৰিছে। আঁ-হজৰত (ছাঃ)য়ে স্পষ্ট ভাৱে কৈছে :-

اَلْحَيَآءُ شُعْبَةٌ مِّنَ الْاِيْمَانِ

**অৰ্থ ঃ** লাজ ঈমানৰ এটা অংশ হয়।

(মুছলিম কিতাবুল ঈমান,বাব শুবাল ঈমান ওৱাল আফজালুহা.. হাদীছ নম্বৰ ৫৯)

গতিকে প্ৰত্যেক আহমদী যুৱক বিশেষ কৰি এইফালে ধ্যান দিয়া উচিত যে আজিকালিৰ বেয়া মিডিয়াৰ সন্মুখত চাই সেই জালত আৱদ্ধ নহ'ব আৰু নে ঈমানক বিনষ্ট কৰিব। এই অযথাসমূহত কিছুমানে লিপ্ত হৈ সকলোবোৰ সীমা লঙ্ঘন কৰি পেলায়,যাৰ ফলত কিছুমানক জমাতৰ পৰা বহিষ্কাৰ কৰি শাস্তি দিয়া হয়। সদায় মস্তিষ্কত এই কথা থাকিব লাগে যে মোৰ প্ৰত্যেক কাম খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে হয়।

এটা হাদীছত আহিছে আঁ-হজৰত (ছাঃ)য়ে কৈছে-নিৰ্লজ্জতাত লিপ্ত থকা সকলক কুচ্ছিত বনাই দিয়ে। লজ্জা আৰু হায়াই প্ৰত্যেক লজ্জিতকাৰীক চৰিত্ৰবান বনাই সৌন্দৰ্যতা প্ৰদান কৰে। (তিৰমিজি কিতাবুল বাৰৰি ওৱাছ ছুল্লাতু,বাব মা জা ফিল ফাহাশ ওৱালতাফহাশ,হাদীছ নম্বৰ ১৯৭৪)

গতিকে এই সৌন্দৰ্যতা মানুহৰ ভিতৰত সৎ কাম কৰাৰ ফলত আৰু সেয়া বিস্তৃত কৰাৰ ফলত সৃষ্টি হয়।

এটা হাদীছত আহিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে আল্লাহ তা'লাৰ প্ৰতি লাজ যেন হৃদয়ত হয় যেনেকুৱা সেইজনাৰ সৈতে লাজ কৰাৰ অধিকাৰ আছে। চাহাবাজনে কলে আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰো সেইজনাই

আমাক লাজ প্ৰদান কৰিছে। আঁ-হজৰত (ছাঃ)য়ে কৈছে-এনেকুৱা নহয়,অৰ্থাৎ যি ব্যক্তিয়ে লাজ ৰাখে আৰু তেওঁৰ মস্তিষ্ক আৰু তাতে সোমাই থকা ধাৰণাসমূহ সুৰক্ষিত কৰে (অৰ্থাৎ নিজৰ মস্তিষ্কত অহা ধাৰণাসমূহক সুৰক্ষিত কৰা) পেট আৰু যিয়ে তাৰ ভোক নিবাৰণ কৰে সেইটোৰেও সুৰক্ষা কৰে। মৃত্যু আৰু পৰীক্ষাক স্মৰণ ৰখা উচিত। যি ব্যক্তি আখিৰাতত দৃষ্টি দিয়ে তেওঁ পাৰ্থিৱ সৌন্দৰ্যতাৰ ধাৰণাসমূহ এৰি দিয়ে। অৰ্থাৎ যিয়ে এই ধৰণৰ জীৱন অৱলম্বন কৰিছে তেওঁ নিশ্চিত ৰূপত খোদাৰ প্ৰতি লাজ কৰিছে। (তিৰমিজি কিতাবুল কিয়ামাহ ওৱাৰ ৰাফায়িক ওৱাল উৰু বাব ২৪ /৮৯ হাদীছ নম্বৰ ২৪৫৮)

**আঁ-হজৰত (ছাঃ)য়ে কৈছে-**

অৰ্থাৎ মস্তিষ্কত অহা প্ৰত্যেক ধাৰণাক আল্লাহ তা'লাৰ প্ৰতি লাজ হৈ অহা উচিত। যদি কোনো কু-ধাৰণা আহেও তাৰ পৰা অতি সোনকালে বিমুখ হোৱা উচিত। ইছতিগফাৰৰ (খোদাৰ ওচৰত ক্ষমা বিচাৰি) জৰিয়তে তাৰ পৰা বিমুখ হোৱা উচিত। যদি ধাৰণা পৱিত্ৰ হয় তেতিয়া কৰ্মও পৱিত্ৰ হ'ব। তেতিয়া অযথাবোৰে এনেকুৱা মানুহৰ বাবে কোনো প্ৰভাৱ পেলাব নোৱাৰে। এইদৰে মানুহে নিজৰ সংস্থানৰ বাবেও বৈধ পদ্ধতি অৱলম্বন কৰে,কষ্ট কৰে,কষ্টেৰে উপাৰ্জন কৰে। আনৰ টকাৰ প্ৰতি তেওঁৰ লোভ-লালসা,কাঢ়ি লোৱাৰ চেষ্টা নাথাকে আৰু ভুল পদ্ধতিৰে উপাৰ্জন নকৰে। পাকিস্তানত ঘোচ ইত্যাদিৰ প্ৰচলন সাধাৰণ হয়। এইবোৰ বৈধ উপাৰ্জন নহয়। তেখেতে এয়াই কৈছে নিজৰ পেট আৰু তাৰ জৰিয়তে তেওঁৰ ভোক-বিলাস দূৰ কৰে সেইবোৰও সুৰক্ষা কৰিব। গতিকে বৈধ উপাৰ্জনেৰে নিজে আৰু নিজৰ স্ত্ৰী সন্তান-সন্ততিৰ ভোক দূৰ কৰিব। এনেকুৱা লোকসকলেই আল্লাহ আৰু তাৰ ৰছুলৰ ওপৰত বিশুদ্ধ ৰূপত বিশ্বাস স্থাপনকাৰী হয়।

হজৰত মছীহ মাওউদ (আঃ)ৰ এটা দোৱা আছে। আল্লাহক প্ৰাপ্ত কৰাৰ বাবে এই দোৱা লিখিছে। তেখেত (আঃ)য়ে কৈছে-

হে মোৰ কাদিৰ (ক্ষমতাবান) খোদা ! হে মোৰ প্ৰিয় পথ প্ৰদৰ্শক ! তুমি মোক সেই বাট দেখুৱা যাৰ মাধ্যমে তোমাক পাব পাৰো অৰ্থাৎ সত্যৰ বাট আৰু আমাক সেই বাটৰ পৰা ৰক্ষা কৰা যিসকলৰ উদ্দেশ্য কেৱল প্ৰবৃত্তি

বা কুচ্ছিত বা অহংকাৰ বা দুনিয়াৰ লোভ-লালসা হয়। (পয়গামে চুলাহ-ৰুহানি খাজাইন জিলদ ২৩ মতবুৰা ৰাবুৰা)

গতিকে আমাৰ চেষ্টা হোৱা উচিত যে নিজৰ অঙ্গীকাৰ পালন কৰি নিজৰ বয়াতৰ অধিকাৰক বুজি প্ৰকৃতাৰ্থে যিসকলে ঈমান আনিছে সিহঁতৰ মাজত যেন অন্তৰ্ভুক্ত হ'ব পাৰো। সদায় মনত ৰখা উচিত যে আমি সেই নবীৰ মান্যকাৰী যিয়ে আমাক সঠিক বাট দেখুৱাইছে। আমাক ভাল বেয়াৰ মাজত পাৰ্থক্য শিকাইছে। ইয়াৰ পিছতো যদি আমি পাৰ্থিৱ জগতত লিপ্ত হৈ প্ৰথা আৰু অযথা বস্তুবোৰৰ শিকলি নিজৰ ডিঙিত বান্ধি লওঁ তেতিয়া আমি নে উপাসনাৰ অধিকাৰ আদায় কৰিব পাৰিম, নে পোহৰৰ ভাগীদাৰী হ'ব পাৰিম। কোৰাণ কৰিমত এঠাইত আল্লাহ তা'লাই আঁ-হজৰত (ছাঃ)ৰ বিষয়ে কৈছে-

يَأْمُرُهُمْ بِالْمَعْرُوفِ وَيَنْهٰهُمْ عَنِ الْمُنْكَرِ
وَيُحِلُّ لَهُمُ الطَّيِّبٰتِ وَيُحَرِّمُ عَلَيْهِمُ الْخَبٰٓئِثَ
وَيَضَعُ عَنْهُمْ اِصْرَهُمْ وَالْاَغْلٰلَ الَّتِىْ
كَانَتْ عَلَيْهِمْ (7:158)

**অনুবাদ ঃ** সিহঁতক সৎ কাৰ্য্য কৰিবলৈ আদেশ দিয়ে আৰু সিহঁতক অসৎ কাৰ্য্য কৰিবলৈ নিষেধ কৰে আৰু যিজনে যি শুচি তাক সিহঁতৰ নিমিত্তে বৈধ কৰে আৰু যি অশুচি তাক সিহঁতলৈ অবৈধ কৰে আৰু যিজনে সিহঁতৰ পৰা সিহঁতৰ বোজা আঁতৰ কৰে আৰু যিবিলাক বন্ধনত সিহঁত আবদ্ধ আছিল সেইবিলাকৰ পৰা সিহঁতক (মুক্ত কৰে)। (চুৰা আল আৰাফ আয়াত ১৫৮)

ডিঙিত যি আবদ্ধ হৈ আছে সেয়া নমাই দিয়ে; যি বোজা প্ৰথম জাতিসমূহৰ মাজত আছিল,পূৰ্বৰ বংশধৰসকলৰ মাজত আছিল; নিজৰ ধৰ্মক পাহৰি প্ৰথাসমূহৰ আবদ্ধত লিপ্ত হৈ ইহুদী আৰু খ্ৰীষ্টানসকলৰ ডিঙিৰ ওপৰত যি বোজা আছিল এতিয়া সেইবোৰ কিছুমান মুছলমানসকলৰ ভিতৰত সৃষ্টি হৈ আছে। যদি আমাৰ মাজতেই সেইবোৰ সোমাই যায় তেন্তে আমি কিদৰে দাবী

কৰিব পাৰো যে আমি এতিয়া আঁ-হজৰত (ছাঃ)ৰ পয়গামক দুনিয়াত পৌচাবৰ বাবে বোজা উঠাই ৰাখিছো। এই শিকলিৰ গধুৰ বোজা আমাৰ নমাব লাগিব।

গতিকে এই কথাৰ প্ৰতি আমাৰ মনোযোগ দিব লাগিব যে আমি সেই নবীৰ ওপৰত ঈমান আনিছো যিয়ে আমাৰ বাবে বৈধ আৰু অবৈধৰ পাৰ্থক্য দেখুৱাই ধৰ্মৰ ক্ষেত্ৰত ভুল দৃষ্টিৰ শিকলিৰ বোজা আমাৰ ডিঙিৰ পৰা নমোৱাইছে। কিন্তু যেনেকুৱা মই কৈছো যে মুছলমানসকল দুৰ্ভাগ্যপূৰ্ণ হয় যে এই স্পষ্ট হিদায়তসমূহ থকা সত্ত্বেও কিছুমানে শিকলিৰ বোজা নিজৰ ডিঙিত পিন্ধি লৈছে।

কিন্তু আমি আহমদী হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ অঙ্গীকাৰ কৰাৰ পাছতো এই সততাক দ্বিতীয়বাৰ বুজি লৈছো যে এই শিকলিৰ বোজা আমাৰ ডিঙিৰ পৰা কেনেকৈ নমাব লাগিব। আল্লাহৰ এহছান হয় যে কবৰত ছিজদা কৰাৰ পৰা আমি বিৰত,পীৰ পূজাৰ পৰা আমি সুৰক্ষিত,কিছুমান ঠাইৰ পৰা এটা দুটা অভিযোগ উত্থাপন হয়। সাধাৰণ ভাৱে আমি ভুল প্ৰথাসমূহৰ পৰা আঁতৰত কিন্তু যেনেকুৱা মই কৈছো- কিছুমান বস্তুয়ে বাট মুকলি কৰি ৰাখিছে। গতিকে যদি আমি সতৰ্কতা অৱলম্বন নকৰো তেন্তে এই শিকলি আকৌ আমাৰ ডিঙিত  সোমাই পৰিব যি আঁ-হজৰত (ছাঃ)য়ে আমাৰ ডিঙিৰ পৰা নমাইছে আকৌ যাক এই যুগত হজৰত মছীহ মাওউদ (আঃ)য়ে নমোৱাৰ বাবে উপদেশ কৰিছে। আকৌ আমি  ধৰ্মৰ পৰা বহু দূৰত্ব হৈ পৰিম। এতিয়া এয়া স্পষ্ট যে যেতিয়া এনেকুৱা হৈ থাকিব তেতিয়া আমি জমাতৰ পৰাও ওলাই পৰিম। কাৰণ জমাতৰ সৈতে সেইসকলেই থাকিব পাৰে যিসকলে পোহৰৰ ভাগীদাৰী হয় আৰু যিসকলে আল্লাহ আৰু ৰছুলৰ আৰু আল্লাহৰ গ্ৰন্থৰ পৰা উপকৃত হৈ থাকে। যিসকলে আল্লাহ আৰু ৰছুল আৰু আল্লাহৰ কিতাপৰ পৰা উপকৃত হোৱা নাই সিহঁতেও পোহৰৰ পৰাও উপকৃত হ'ব পৰা নাই। যিসকলে পোহৰৰ পৰা লাভবান হোৱাৰ চেষ্টা কৰা নাই সিহঁতে ঈমানৰ পৰাও বহু নিলগত হৈ পৰিছে। গতিকে এয়া এক কৌশল হয় যি চলি থাকে। গতিকে সদায় নিজৰ অৱস্থাৰ পৰ্যালোচনা জৰুৰী। আঁ-হজৰত (ছাঃ)য়ে যিয়ে নিজেই পোহৰ আছিল আৰু আকাশৰ পৰা পৰিপূৰ্ণ পোহৰ কেৱল তেখেত

(ছাঃ)ৰ ওপৰতেই অৱতীৰ্ণ হৈছিল,এই দোৱা কৰো যে হে আল্লাহ ! মোৰ হৃদয়ত আৰু মোৰ আন আন অঙ্গবোৰত পোহৰ সোমাই দিয়া।
(বুখাৰী কিতাবুল দা'আত বাব আদ্দুৱায়ু ইজা নাতবাতু মিনাললায়লি হাদীছ নম্বৰ ৬৩১৬)

এই দোৱা আচলতে আমাক শিকাইছে যে সদায় নিজৰ চিন্তা-ভাৱনা আৰু নিজৰ অঙ্গবোৰক, নিজৰ ধাৰণাসমূহ,নিজৰ মস্তিষ্ক আৰু নিজৰ শৰীৰৰ প্ৰত্যেক অংশ আল্লাহ তা'লাৰ শিক্ষা অনুযায়ী কাৰ্যকৰী কৰাৰ চেষ্টা কৰিবা আৰু ইয়াৰ বাবে দোৱা কৰিবা,মস্তিষ্কত পৱিত্ৰ ধাৰণা হোৱা উচিত আৰু কাম-কাজ আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে যেন হয়।

আল্লাহ তা'লা আমাক সৌভাগ্য প্ৰদান কৰক যে ঈমানত যেন শক্তিশালী সৃষ্টি হয়। আল্লাহ আৰু তাৰ ৰছুলৰ কথাৰ ওপৰত আমলকাৰী যেন হয়,অযথা প্ৰথাসমূহৰ পৰা ৰক্ষাকাৰী যেন হয়, জগতৰ অত্যাচাৰৰ পৰা যেন দূৰত থাকে।

**সমাপ্ত**